চান্দমামা

মে' ১৯৯৫



everest/94/PP/186-as

“मेरि”
दुनिया भर की नारियों को, 31 से अधिक सालों से मनमोहक, खूबसूरत और मज़बूत स्वर्णपट्टित ज़ेवरों से सँवार रहे हैं ।

मेरि अब पेश करते हैं चकाचौंध करने वाले रंगबिरंगे और उत्तम डिज़ाइन के ज़ेवर, जो शुद्ध चाँदी पर सोने का पानी चढ़ा कर और अमरीकी हीरो (A.D) से जड़ा कर बनाये गये हैं ।

ज़ेवर वी.पी.पी. द्वारा मँगाये जा सकते हैं । हमें ज़ेवर की संख्या का उल्लेख देते हुये लिखिये । मंदिर की मूर्तियो और भरत नाट्यम के लिए ज़ेवर बनाना हमारी विशेषता है। मुफ्त रंगीन सूचापत्र के लिये लिखिये । कृपया पत्रव्यवहार हिन्दी या अंगरेज़ी में ही करिये ।



MERI GOLD COVERING WORKS
P.O. Box 1405, 18, Ranganathan Street, T. Nagar,
Madras 600 017, Phone: 444671, 442513


Say "Hello" to text books and friends
'Cause School days are here again
Have a great year and all the best
From Wobbit, Coon and the rest!


SUPER
RUBBER
It's time to go back to school again. Time for text books. Time for games. Time to meet old friends. And make new ones. Time to start studying again. Because there's so much to learn about the world around you.
From all of us here at Chandamama, have a great year in school. And remember to tell us what you've learnt everyday, when you come home from school !
THE
HANDAMAMA
ARTIG1246

চান্দমামা

মে' ১৯৯৩

এই সংখ্যাত আছে

শিশু-স্বাস্থ্যকথা	:	৭
স্ক্যাণ্ডিনেভীয় সমাজবাদ	:	৯
অপায়-উপায়	:	১০
অতুল-সুন্দৰী	:	১৭
ভিতকুৰা অৰ্থ	:	২৪
সিদ্ধান্ত	:	২৫
ভাৰতৰ দুৰ্গ	:	৩৩
জ্ঞানৰ সাৰকথা	:	৩৭
চান্দমামা-সমবাদ	:	৪৪
মহাভাৰত	:	৪৫
চান্দমামা-ক্ৰোড়পত্ৰ	:	৫৩
বিৰংগী সমস্যা	:	৫৭
চোৰ-পঘা	:	৬৩

ফটো-প্ৰতিযোগিতা-পুৰস্কাৰ : ৬৫

চান্দমামা : খনে : ৫'০০ টকা মাথোন

বছৰেকীয়া বৰঙনি : ৬০'০০ টকা মাথোন

চান্দমামা

সংস্থাপক : চক্রপাণি   সঞ্চালক : বি নাগিৰেড্ডি

শিশুস্বাস্থ্যকথা

সম্প্ৰতি ইউনিচেফ (UNICEF) সংস্থাই এক বিপদজনক তথ্য আমাক জনাইছে। কৈছে, ভাৰতৰ ৪৪ ভাগ শিশু অপুষ্টিৰ চিকাৰ, আৰু তাৰ মাজত ১৯ ভাগ এই অপুষ্টিজনিত ব্যাধিৰ কাৰণে মৃত্যুৰ সম্মুখীন। কোৱা হৈছে যে ২,২০০,০০০-তকৈয়ো অধিক সংখ্যক শিশু থাইৰয়েডজনিত ব্যাধিৰদ্বাৰা আক্ৰান্ত, আৰু ৬,৬০০,০০০ শিশুৰ মাংসপেশীৰ অৱস্থা অতি দুৰ্বল—যাৰ মূল কাৰণ হ'ল খাদ্যত লৌহৰ (iron) অভাৱ। সুষম খাদ্যৰ অভাৱত বছৰেকত ৬০,০০০ শিশু অন্ধত্বপ্ৰাপ্ত হয়—ঘাইকৈ খাদ্যত ভিটামিন A-ৰ অভাৱহেতুকে। এই তথ্যৰ সৈতে আৰু যুক্ত হ'ব কমেও ২৫০,০০০,০০০ মানুহ, যিসকলে জীৱনধাৰণ বাবে সুষম খাদ্য কদাপিও নাপায়। মুঠতে—আমাৰ লোকসংখ্যাৰ ৩০ ভাগেই হ'ল দাৰিদ্ৰ্যসীমাৰ তলত।

গতিকে—নিজেই খাব নোপাৱাই তাৰ শিশুক যে ঠিকমতে খুৱাব নোৱাৰিব—দেখা কথা। কিছু কিছু ঠাইত—অন্তত কাগজে-কলমে হলেও—পঢ়াশালিত দুপৰীয়া আহাৰ শিশুইতক খুৱাবৰ বন্দৱস্ত কৰা হৈছে। কিন্তু যি বিপুলসংখ্যক শিশু পঢ়াশালি আনকি চকুৰেও দেখা নাই—সিহঁতৰ কি হ'ব? কিছু কিছু দাতব্য প্ৰতিষ্ঠানে শিশুইতকো কিঞ্চিত আহাৰ দিয়ে—কিন্তু সেয়া তো নিয়মিত নহয়।

আমি এনেবোৰ শিশুক অপুষ্টিৰ কবলতে পেলাই থ'মনে? ইহঁতক কমেও এপিয়লা গাখীৰ আৰু লগতে কিঞ্চিত সুষম আহাৰ্য্যৰ বন্দৱস্তৰ কথা সাৰ্বিকভাৱে ভাবি উলিয়াব লাগে। অপুষ্টিজনিত ব্যাধিৰ নিৰাময়ন হয়; অপুষ্টি যাতে নহয়—তাৰ ব্যৱস্থা কৰিব লাগে।

আহক আমিও এই কামত ব্ৰতী হওঁ।

বছৰ : ২০   মে' ১৯৯৫   সংখ্যা : ২

খনে ৫·০০ টকা :: বছৰেকীয়া বৰঙনি ৬০·০০ টকা



চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰব

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী, উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

পৃথিৱীৰ খিৰিকীৰে

স্থ্যায়িডেনীয় সমাজবাদ

ভাবি চাওক কথাটো, দেউতাক কামলৈ ওলাল, মাকো ওলাল কামলৈ, ঘৰত ল'ৰা-ছোৱালীইতৰ বেমাৰ। কোনেনো চোৱা-চিঁতা কৰিব সিইঁতক? এই কথাৰ বিভিন্ন ধৰণে উত্তৰ দিব পৰা যায়; কিন্তু স্থ্যায়িডেন নামৰ দেশখনে এই সমস্যাৰ সমাধান আজৰ যেন উপায়েৰে কৰিলে: দেউতাক ঘৰত থাকিব, আৰু চৰকাৰে তেওঁক দৰমহা দি থাকিব। সন্দেহৰ থল নাই যে স্থ্যায়িডেন জনকল্যাণকাৰী দেশ। মানুহৰ জীৱনৰ সকলো স্তৰতে—শিশুস্তৰ-পৰা বাৰ্ধক্যলৈকে — নিৰুদ্বেগ আৰু পৰিচ্ছন্ন জীৱন যাপনেৰ বাবে দেশৰ জনগণক আৰ্থিক অনুদান সেই দেশৰ নিবনুৱাসকলেও পায়।

*

কিন্তু কেনেকৈনো সম্ভৱ হয় এই বিপুল অনুদান প্ৰদান? শুনি কিজানি তৱধেই মানিব লাগিব। এতিয়াৰপৰা ৬০ বছৰৰো আগতে—১৯৩২ চনত স্থ্যায়িডেনত ছোস্যাল ডেম'ক্ৰেটিক পাৰ্টি ক্ষমতাত অধিষ্ঠিত হৈছিল, আৰু মাজতে মাত্ৰ ছয় বছৰৰ বাহিৰে সেই তেতিয়াৰেপৰাই একেৰাহে শাসন চলাই আছে। যদিও বাঁওপন্থী চৰকাৰ, তথাপি তেওঁলোকে শিল্পক্ষেত্ৰত অনাচৰকাৰী অংশগ্ৰহণ অনুমোদন কৰিছিল আৰু তাৰ ফলত বিপুল সংখ্যক নিবনুৱাই কৰ্মৰত হ'ব পাৰিছিল। তদুপৰি অতি উচ্চহাৰত কৰ-কাটল আদায় কৰাৰ বন্দবস্ত কৰাত চৰকাৰৰ হাতত অভাবিত পৰিমাণে ধন উদ্বৃত্ত হোৱাত চৰকাৰে সহজেই তেনেবোৰ জনকক্যাণ-মূলক আঁচনি ল' পাৰিছিল আৰু তাৰ ফলত দেশৰ জনসাধাৰণ আছিল অতি তুষ্ট।

কিন্তু ৰক্ষণশীল, আৰু উদাৰ পন্থী দলসমূহে সমাজতান্ত্ৰিক চৰকাৰৰ এনেবোৰ আঁচনি বৰ ভাল নাপালে, এই চৰকাৰ ধেঁৱাখুলীয়া চৰকাৰ বুলি জনমত সৃষ্টি কৰিলে। ১৯৮৬ চনত প্ৰধানমন্ত্ৰী ওলাফ পামে নিহত হ'ল আৰু মি. ইংভাৰ কাৰ্লছন তেওঁৰ স্থলাভিষিক্ত হ'ল। কিন্তু ১৯৯১ চনৰ নিৰ্বাচনত ছোস্যাল ডেম'ক্ৰেট পাৰ্টি পৰাজিত হ'ল, আৰু সোঁপন্থী উদাৰপন্থীৰ কোৱালিশ্যান চৰকাৰ মি. কাৰ্ল বিদ-ৰ নেতৃত্বত গঠিত হ'ল।

এই চৰকাৰে ব্যাপকভাবে অনুদান প্ৰদান বন্ধ কৰিলে, আৰু শিল্প সংস্থাসমূহত অনাচৰকাৰী প্ৰবেশো ৰদ কৰি দিলে, আৰু তাৰ অনিবাৰ্য্য ফলস্বৰূপে দেশত পুনৰ ব্যাপক বেকাৰিয়ে মূৰ দাঙিলে। জনসাধাৰণে পুনৰ ছোস্যাল ডেম'ক্ৰেট পাৰ্টিক প্ৰতিষ্ঠিত কৰাৰ বাবে বলিয়াহেন হৈ উঠিল, আৰু ১৯৯৪ চনৰ নিৰ্বাচনত পুনৰ সেই মি. কাৰ্লছনক প্ৰধানমন্ত্ৰীৰ পদত প্ৰতিষ্ঠিত কৰি একপ্ৰকাৰে স্বস্তি লভিলে।

স্থ্যায়িডেন দেশখন হ'ল ৰাজতান্ত্ৰিক দেশ, কিন্তু দেশৰ চৰকাৰ গঠনত ৰজাই ভাগ নলয়, বা হস্তক্ষেপ কৰি কোনো প্ৰকাৰৰ হকা-বধাও নকৰে।



উপায়-অপায়

কমলৰ দেউতাক আছিল ৰাজকৰ্মচাৰী। তেওঁ ৰজাৰ কাম কৰি ঢেৰ ধন আৰ্জিছিল, আৰু সেই কাৰণে, কমলকো তাতেই—ৰজাৰ কামতে লগাব বুলি মনত একেবাৰে খাটাঙেই কৰিছিল।

কিন্তু কমল আছিল কিছু স্বাধীন-চিতীয়া। সেইহে কমলে আনৰ চাকৰিৰ চকৰিত বান্ধ নাখাব, লাগিলে বহু কষ্টেৰেও বেহা-বেপাৰ কৰিব বুলি চিন্তা কৰিছিল।

দেউতাকে কৈছিল, "বেহা-বেপাৰ বৰ কঠিন কাম। আমাৰ বোপা-ককাইঁতে কেতিয়াও বেহা-বেপাৰৰ কাষেদিও যোৱা নাছিল, তুমিনো কেনেকৈ কি কৰিবা? তাতেকৈ মোৰ কথা শুনা, যি কওঁ মানা।"

কিন্তু কমলৰ মাকেও কমলক ৰজাৰ কামত লগাব নুখুজিলে। তেওঁ গিৰিয়েকক ক'লে, "কিয়, সি তাৰ মামাৰৰপৰাও দেখোন বেহা-বেপাৰৰ ৰিটিপ অতি ভালকৈ শিকিব পাৰিব।"

গিৰিয়েক, অৰ্থাৎ কমলৰ দেউতাকে ক'লে, "হয়তো পাৰিব। পিছে—সি দেখোন তাৰ নিজৰ ল'ৰাটোকো একো নিশিকায়। ইয়াক বাৰু শিকাবনে?" মোৰ কিন্তু বৰ আশা হোৱা নাই তোমাৰ কথাত।

মাক-দেউতাকৰ মাজত বাচ্যাবাচ্যি হোৱা দেখি কমলে কৈ উঠিল, "কোনেও শিকাওক-নিশিকাওক মই নিজৰ চেষ্টা আৰু বুদ্ধিৰে যিখিনি পাৰোঁ—কৰিম। কোনে মোক বেহা দেখুৱাব, নই বেহা পাম—সেয়া নহওক মোৰ জীৱনৰ কাম।"

"তো—কৰা যি যায় মন, পিছে—মই

মাধৱ মহন্ত

তোমাক ফুটা এটি কড়িও নিদিওঁ ধন।" দেউতাকে খৰাংখচ কৈ দিলে।

"বেহাত যদি থাকে মন—সেয়ে হ'ব মোৰ ধন। আন একোৰেই মোক নালাগে। পিছে—মোক এবছৰৰ কাৰণে পাহৰি থাকা। মোক বিচাৰি লাভো নাই, নাপাবাও। ভালৰো ভাল বেহেৰুৱা হৈহে উলটিম!" কমলে তাৰ দেউতাকৰ কলিজাত ধৰাকৈ ক'লে।

পাছদিনাই কমল ওলাল। বাটত সাধু এজনক লগ পালে। সাধুক প্ৰণাম কৰি সাধুৰপৰা আশীৰ্বাদ প্ৰাৰ্থনা কৰিলে। সাধুৱে কমলৰপৰা পইচা খুজিলে।

অবাক হৈ পৰা কমলে সাধুক ক'লে, "আপুনি হ'ল—সৰ্বত্যাগী সাধু, সাংসাৰিক বন্ধনৰপৰা কি বোলেনে—মুক্তপুৰুষ। আপোনাক পইচা কিহলৈ?"

সাধুৱে ক'লে, "পইচাৰ নিমিত্তেহে এই ভেশ লৈছোঁ মই। মই অশিক্ষিত, গতিকে—কোনো কামৰেই লায়ক নহওঁ। কোৰ-কোদালৰ কামত বৰ টান পাওঁ। গতিকে—এই নিৰামুহী ভেশ লৈ টকা-সিকা সোণ-ৰূপ যি পাইছোঁ—আৰ্জিছোঁ।"

"তো—এই কথাৰ অৰ্থ হ'ল—সাধু-গিৰিও দৰাচলতে বেহা-বেপাৰেই!"

"কেৱল নামৰহে ইফাল-সিফাল। এই জগতৰ চব কামেই বেহা-বেপাৰ। যি কি নহওক—তোমাৰ কথা যি ক'লা, যি শুনিলোঁ, মই কওঁ—কি বোলেনে—তুমিও মোৰে সৈতে এই বেহাত ধৰা আৰু ৰামতো ভকত হৰিতো ভকতটি হৈ ৰুজি-ৰোজকাৰ কৰা। দুয়ো মিলি সাধুৱা-বেপাৰ কৰিম, যি পাম—দুয়ো সমানে সমান ল'ম। বছ।" সাধুৱে চাফ চাফ কৈ দিলে।



কমলে—ৰৰ ইচ্ছাত নহয় যদিও—সাধুৰ কথাত মূৰ কাতি কৰিলে।

আৰু পাছ দিনাই, সাধু আৰু কমলে মিলি গাঁৱৰ এঠাইত সৰুসুৰা আশ্ৰমৰ নিচিনা তম্বু এখন তৰি ল'লে। সাধুবাবাৰ

লগতে তেওঁৰ ভক্তকেজনমানেও এই কামত হাত উজান দিলে।

এইবাৰ সাধুৰ নাম হ'ল পৰমানন্দস্বামী, আৰু কমল হ'ল কমলানন্দ। দুয়ো সাধুৱা বেপাৰত লাগিল। এই সাধুৱা-বেপাৰৰ কেঁচামাল হ'ল—পাপ। পাপ কাৰনো নাই? যদিও চিন্তা নাই—যিমানেই পাপ নাথাকক—এই সাধুদ্বয়ে সেই পাপ এক অভিনৱ উপায়েৰে গুচাই দিয়ে।

তুতিয়াত কিছু পানী থাকে বুলিহে তুতিয়াৰ বৰণ নীলা যেন দেখি। তুতিয়া তপতালে পানী শুকাই যায়, আৰু তেতিয়া বগা হয়। কিন্তু পুনৰ সেই তুতিয়া পানীত দিলেই নীলা।

এই সূত্ৰৰ আলমত সাধু পৰমানন্দস্বামীয়ে পাপ গুচোৱাৰ তথা পাপক্ষালনৰ বঢ়িয়া আঁচনি বনালে।

পৰমানন্দৰ সোঁফালে এটা ডাঙৰ পাত্ৰত তুতিয়াৰ বগা গুড়ি থৈ দিয়া হয়, আৰু বাঁও ফালে থাকে আঙঠাৰে জ্বলি থকা সৰু জুহাল। পাপ গুচাবলৈ অহাই কমলৰ হাতত ধন গটাই দিয়ে, আৰু সেই ধন লোৱাৰ পাছত কমলান্দই পাপী মানুহ জনৰ হাতত তুতিয়াৰ সেই বগা গুড়ি কিছুখিনি দিয়াৰ লগে লগেই মন্ত্ৰ মাতে আৰু সামান্য পানী ছটিয়ায় আৰু মানুহজনক অলপ সময়ৰ বাবে চকু মুদিবলৈ কয়। পাছত যেতিয়া সেই মানুহজনে চকু



মেলি চায়—সেই বগা তুতিয়াৰ গুড়িখিনি পানীৰ পৰশ পাই পুনৰ নীলা বৰণ লয়।

তেতিয়া কমলে মানুহজনক কয়ঃ তোমাৰ দেহাত পাপৰ যি বিষ আছে, সেই পাপ-বিষৰ ক্ৰিয়াৰেহে বগা গুড়ি নীলা হ'ল। শুনি পাপীয়ে কঁপি উঠে। তেওঁ ভয়তে সেই পাপেৰে বিষাক্ত নীল-বৰণীয়া গুড়িখিনি সাধুবাবাৰ হাতলৈ দিয়ে পাপ গুচাবলৈ আৰু সাধু পৰমানন্দই উচ্চকণ্ঠেৰে মন্ত্ৰ আওৰাই—পাপক প্ৰজ্বলিত কৰি বিশুদ্ধ কৰাৰ বাবে বাঁওফালে জুহালৰ ওপৰত থকা পাত্ৰত সেই নীলবৰণীয়া গুড়িখিনি থৈ দিয়ে, আৰু চাওঁতে চাওঁতে পাপ পুৰি সেই গুড়ি পুনৰ বগা হৈ পৰে। তেতিয়া সাধুৱে কয়, তোমাৰ পাপৰ-বিষ বায়ুত বিলীন হ'ল,এতিয়া পাপমুক্ত হ'লা।

এই পাপ-গুড়িৰ মূল্য হ'ল—পঞ্চাছ টকা। পাপ গুচাবলৈ পঞ্চাছটি টকানো কি? হাতৰ মলিহে। চবেই দিয়ে। আৰু কিবা—এবা ধুলেই চাফা হ'বনে? মনুষ্যৰ জীৱনেই হ'ল পাপময় জীৱন। আৰু পাপ বিনে কৰ্মও নাই। আনকি উশাহ-নিশাহৰ লগতো আমি কিমান যে ক্ষুদ্ৰাতিক্ষুদ্ৰ জীৱ-জীৱাণু হত্যা কৰিছোঁ—তাৰ সীমা-সংখ্যা নাই। লোকৰ পাপ গুচাবলৈহে মই জনম লৈছোঁ আপোনালোকৰ পাপমুক্তি—মই ভাবোঁ—মোৰো মুক্তি।" সাধু-পৰমানন্দই কয়





কিন্তু পৰমানন্দস্বামীয়ে কককাই উঠি কমলক ক'লে, "বেবেৰিবাৰ নবকা, আমি ইয়াৰ ৰাইজক শাহে-মূলে শুহিম, তেহে এৰিম।"

"কিন্তু অধিক লোভত যে আচল পাপ হয় — জানিছানে নাই? জগতত আমাতকৈও অধিক বুদ্ধিমান আছে যে— কথাটি মনত ৰাখিলেই চৰীল-চাইস্থ্য ভাল থাকিব, বুইছা। ইমানকৈ ঠগিলে এদিন ম'নুহে আমাৰ পিঠিৰ খাল খুলিব।"

কিন্তু কমলৰ কাঁইটীয়া কথাত পৰমানন্দই পৰোৱা নকৰিলে। পৰমানন্দই ক'লে, "তোমাক বেপৰাৰ ভাগীদাৰ হিচাপে লৈছোঁ যেতিয়া, তুমি তোমাৰ পাওনা লৈ যোৱা।" এই বুলি কৈ, টকাখিনি গন্তি কৰিবলৈ ধৰিলে।

সৰ্বমুঠ একলাখ পাঁচহেজাৰ টকা হ'ল। সাধু পৰমানন্দই আধাখিনি কমলক দিলে। কিন্তু কমলে ক'লে, "ইমান পাপৰ বোজা মই কঢ়িয়াব নোৱাৰোঁ। মোক মাত্ৰ পাঁচটি হেজাৰ হ'লেই হ'ব।"

এই বুলি কৈ, পাঁচহেজাৰ টকাৰে সৈতে কমল তাৰ মোমায়েক লোকেশ্বৰৰ ওচৰলৈ গ'ল ত্ৰিনাথপুৰলৈ।

কমল যেতিয়া লোকেশ্বৰৰ দোকানৰ কাষ চাপিল, তেতিয়া লোকেশ্বৰ

আৰু ৰাইজে শুনি ভাল পায়।

এই 'পাপ-প্ৰক্ষালন তন্তু'ত সদায়েই মানুহৰ দলদোপ-হেন্দোলদোপ। দূৰ দূৰ গাঁৱৰপৰাও মানুহ-মুনিহ আহে, আৰু বাৰে বাৰে আহে; কিয়নো পাপ এবৰীয়া নহয়, বহুবৰীয়া। নমৰালৈকে—আনকি মৰাৰ অন্ততো মানুহক পাপে নেৰে। নহ'লেনো নৰক কিহলৈ?

প্ৰায় এবছৰ এইদৰে চলিল।

এদিন কমলান্দই পৰমানন্দক ক'লে, "আমি ইয়াত ঢেৰ ৰুজি-ৰোজকাৰ কৰিলোঁ। এতিয়া তুমি তোমাৰ অৱতাৰৰ আধ্যা পেলালেহে ভাল।"



দোকানতে আছিল। কমলে ভাবিলে: মোৰ এই বেশত মোমায়ে মোক চিনি নাপাব। এই কথা ভাবি কমলে লোকেশ্বৰক সুধিলে, "খেজুৰ আছেনে? ভাল শুকান খেজুৰ?"

লোকেশ্বৰে সঁচাসঁচিকৈ ভাগিনক চিনিব নোৱাৰিলে, সুধিলে, "আপোনাক—কেৱল খেজুৰহে লাগেনে? নে আন কিবাকিবিও—"

"ওঁ, লাগে বহুতো কিবাকিবিয়েই। পিছে—আগতে খেজুৰ, পাছত আন।"

লোকেশ্বৰে 'হেই ৰংগা—" বুলি মাতিলে, আৰু ৰংগাক গুদামৰপৰা ভালৰো ভাল খেজুৰ আনিবলৈ ক'লে।

তাৰ পাছত লোকেশ্বৰে 'হৈ গুপি—' বুলি আন এটা ল'ৰাক মাতিলে, আৰু তাক ক'লে, "এওঁক যি যি বস্তু লাগে—ভালৰো ভাল চাই বস্তুকেপদ ভালকৈ বান্ধি-কুন্দি দিবি।"

তিমানতে ৰংগাই ক'লেহি যে গুদামত যদিও ঢেৰ খেজুৰ আছিল, তথাপি—নাই। কেতিয়া যে শেষ হ'ল—"

"নাই বুলি কোৱাতে তই ইমান পৰ লগালিনে?" ৰংগাক ধমকি মাৰি ক'লে লোকেশ্বৰে। তাৰ পাছত কমলানন্দক ক'লে, "আমাৰ দোকানত যি নাই, এই অঞ্চলৰ ক'তো নাপাব। গতিকে--আপোনাৰ মূল্যৱান সময় আমি এনেয়ে বৰবাদ কৰিলোঁ বুলি নাভাবিব।"

কমলে ভাবিলে: মামা বেছ মিঠা-মুখিয়া বেপাৰী। তাৰ মানে—কেৱল বেচিবলৈ বস্তু থাকিলেই বেপাৰী নহয়। লগতে মুখৰ মহাৰো লাগে।

কমলে ক'লে, "ইয়াতে ক'ৰবাত লোকেশ্বৰ নামৰ মানুহ এজনৰ দোকান এখন আছে। তেওঁ মোৰ মামা। মই চাওঁগৈ তাত পাওঁনে কি।" এই বুলি কৈয়েই কমলে উভতি খোজ ল'লে।

এইবাৰহে লোকেশ্বৰৰ হুঁচ হ'ল।

দোকানৰপৰা ওলাই আহি কমলক ক'লে, "হাৰে— কমল, তুমি! মই দেখোন তোমাক চিনিবই পৰা নাছিলোঁ। ব'লা ব'লা, ঘৰলৈ ব'লা।"

"বাৰু মামা, এটা কথা বুজাই ক'বানে মোক? তোমাৰ গুদামত খেজুৰ সঁচা-সঁচিকৈ কেতিয়াবা আছিলনে?"

লোকেশ্বৰে ঢেকঢেককৈ হাঁহিলে আৰু ল'লে, "কিন্তু অন্যান্য বস্তুখিনি তো বেচিব লাগিব, •গতিকে, খেজুৰ থকাৰ ভাও বাধ্যত পৰি জুৰিছিলোঁ।"

"আৰু ৰংগাক যে তুমি তেনেকৈ গালি-ছালি পাৰিছিলা– ?"

"সি-ও ভাও। জীৱনৰ যিকোনো বেপাৰতে ভাও আছে, ভাও লাগে, আৰু ভৰৱীয়া হৈয়েই জীৱন কটাব লাগে।"

তেতিয়া কমলে তাৰ কমলানন্দ হোৱাৰ কাহিনী মোমায়েকক ক'লে।

শুনি মোমায়েক লোকেশ্বৰে ক'লে, "কিন্তু—ভাও আৰু প্ৰতাৰণা এক নহয়। তোমালোকে যি কৰিলা, তাত প্ৰতাৰণা বুলিহে ক'ব লাগিব। প্ৰতাৰণাৰেও উপাৰ্জন কৰিব পাৰি অৱশ্যে, কিন্তু তাৰে, আত্মতৃপ্তি নহয়। বেহা-বেপাৰত বুদ্ধিৰ খেল কিছু আছে, কিন্তু বেহা-বেপাৰত প্ৰতাৰণাৰ স্থান নাই। তুমি যদিও মোৰপৰা কোনো দিহা-পৰামৰ্শ বিচৰা নাই, তথাপি — উপযাচিয়েই দিছোঁ। তুমি কিছুদিন মোৰ লগত থাকা, তেতিয়া নিজেই বুজিবা ভাও আৰু প্ৰতাৰণাৰ পাৰ্থক্য। যেনেতেনে আয়ৰ উপায় লোৱাটো উপায় নহয়, অপায়হে।"

পাছত, প্ৰকৃত বেহেকৰা লোকেশ্বৰৰ-পৰা শিকি-বুজি দক্ষতা আৰ্জি কমলে প্ৰকৃততেই এজন সৎ ব্যৱসায়ী হৈ জীৱনত যথেষ্ট উন্নতি কৰিব পাৰিছিল আৰু তাৰ মাক-দেউতাকেও তাৰ এই উন্নতিত গৌৰৱান্বিত বোধ কৰিছিল।



৬

[আগৰ কথা : ন'বছৰ ধৰি গ্ৰিকহঁতে ট্ৰয়-নগৰী চাৰিওফালৰপৰা অৱৰুদ্ধ কৰি ৰাখিছিল, কিন্তু কোনো ধৰণৰ প্ৰকৃত যুদ্ধ কৰা নাছিল। গ্ৰিকসৈন্যৰ স্তম্ভস্বৰূপ বজ্ৰকায়ে ট্ৰয়ৰাজ মৰ্দনকন্যা প্ৰমোদিনীক দেখা পাই বিমোহিত হৈ যেনেকৈয়েই নহওক বিবাহ কৰাবলৈ দুৰন্ত আগ্ৰহী হৈছিল আৰু ট্ৰয়ৰাজৰ তথা প্ৰমোদিনীৰ কন্যাৰেক বীৰসিংগাৰ চৰ্ত মানি লৈ বজ্ৰকায়ে গ্ৰিক বাহিনী পৰিত্যাগ কৰিছিল। বজ্ৰকায়-প্ৰমোদিনীৰ প্ৰেম-মুগ্ধতাৰ সুযোগত ট্ৰোজানবাহিনীয়ে গ্ৰিব-বাহিনীক ছিন্নভিন্নপ্ৰায় কৰি পেলালে। গ্ৰিকহঁতৰ যুদ্ধজাহাজ এখনত জুই লগাই দিলে। তাৰ পাছত...]

ট্ৰোজানহঁতে গ্ৰিকবীৰ চন্দ্ৰপ্ৰভুৰ জাহাজত জুই লগোৱাত বজ্ৰকায়ৰ গ্ৰিক তেজ উতলি উঠিল। বজ্ৰকায়ে প্ৰমোদিনীৰ প্ৰেমত পৰি গ্ৰিক শিবিৰ পৰিত্যাগ কৰিছিল, কিন্তু গ্ৰিক তেজ যেতিয়া উতলিল, সেই কথা পাহৰি পুনৰ গ্ৰিক-বাহিনীৰ হৈ অদমনীয় বিক্ৰমৰে এই যুদ্ধত জঁপিয়াই পৰিবলৈ মন স্থিৰ কৰিলে।

ইতিমধ্যে পিতৃকীৰ্তি নামৰ গ্ৰিক যোদ্ধা এজনে ট্ৰয়-বাহিনীৰ ওপৰত দানহ পৰাদি পৰিলগৈ। ট্ৰয় বাহিনীয়ে পিতৃ-কীৰ্তিকে বজ্ৰকায় বুলি ভাবি পিতৃকীৰ্তিক চাৰিওফালেৰপৰা আগুৰি ধৰিলে। কিন্তু পিতৃকীৰ্তিয়ে অপৰিসীম সাহস আৰু শক্তিমত্তাৰে অসংখ্য ট্ৰোজানক হত্যা কৰি নিজক অৱৰোধমুক্ত কৰিলে, আৰু সেই-

দিনাই যেনেতেনে ট্ৰয় নগৰী অধিকাৰ কৰাৰ সংকল্প কৰিলে। কিন্তু ট্ৰয় অধিকাৰ কৰাৰ প্ৰচেষ্টা ব্যৰ্থ হ'ল।

পিতৃকীৰ্তিৰ এই আঁচনিক অসফল কৰাত ট্ৰোজানইঁতে সফলতাৰে বাধা দিয়াত সফল হ'ল।

যেতিয়া সন্ধিয়াৰ আন্ধাৰ চাপি আহিল, তেতিয়া প্ৰত্যক্ষ যুদ্ধৰ অন্ত পৰিল, কিন্তু অকস্মাৎ এছেগত এজন ট্ৰোজানে— সন্ধিয়াৰ আঁৰপটৰ সুবিধা লৈ পিতৃকীৰ্তিক পিঠিৰ ফালে ডেগাৰেৰে কোবালে, লগে লগে আন এজন ট্ৰোজন গুপ্তঘাতকেও মাটিলৈ বাগৰি পৰা পিতৃকীৰ্তিক উপৰ্যুপৰি কেইবাবাৰো কোবাই বেয়াকৈ ঘাইল কৰিলে। ঠিক তেতিয়াই তালৈ বীৰসিংগা দানহ অহাদি আহিল আৰু নিৰস্ত্ৰ পিতৃকীৰ্তিক তৰোৱালেৰে ঘপিয়াই শেষ কৰি দিলে।

বীৰসিংগাই মৃত পিতৃকীৰ্তিৰ বাহুৰপৰা কৰচকুণ্ডল সোলোকাই লৈ এন্ধাৰত গাত ভেজা দি এসময়ত পলাই ফাট মাৰিলে।

আৰু ঠিক তেতিয়াই ক্ৰেটো আৰু ভূধৰ সেই ঠাই পালেহি। এওঁলোকে পিতৃকীৰ্তিৰ মৃতদেহ শত্ৰুৰ হাতৰপৰা ৰক্ষা কৰি নিজৰ জাহাজৰ ওচৰলৈ লৈ গ'ল।

*

পিতৃকীৰ্তিৰ মৰ্মন্তুদ মৃত্যুৰ কথা জানি বজ্ৰকায়ে বক্ষ-বিদৰা কান্দোনেৰে আকাশ ফালিলে। তাৰ পাছত বজ্ৰকায় ৰাৰাজাৰ কাষ চাপিল আৰু অসহায় যেন হৈ পৰা ৰাৰাজাই বজ্ৰকায়ক আঁকোৱালি ল'লে।

আৰু পাছমুহূৰ্ততেই — পিতৃকীৰ্তিৰ পৈশাচিক হত্যাৰ প্ৰতিশোধ ল'বলৈ আবেগৰ ঢৌৱে উটুৱাই নিয়া বজ্ৰকায়ে টিলিকতে সসৈন্যে ট্ৰোজানইঁতৰ ওপৰলৈ দানৱ পৰাদি পৰিল।

এইবাৰ প্ৰকৃত বজ্ৰকায়ক প্ৰত্যক্ষ-ভাবে দেখা পাই ট্ৰোজানইঁতে ফেঁটীৰ মূৰ ছিগা লৰ ধৰিলে, কিন্তু বজ্ৰকায়ে সিহঁতক

খেদি খেদি স্কমন্দৰ নৈলৈ লৈ আহিল আৰু তাত এটা এটাকৈ ট্ৰোজানসৈন্যক নিৰ্মমভাবে হত্যা কৰিলে।

তাৰ পাছত বজ্ৰকায়ে পিতৃকীৰ্তিৰ গুপ্ত হত্যাকাৰী প্ৰমোদিনীৰ ককায়েক ট্ৰোজান বীৰ বীৰসিংগাক একক যুদ্ধলৈ আহ্বান জনালে।

এইবাৰ নিৰ্বিচাৰ হত্যা বন্ধ হ'ল।

আৰু গ্ৰিক মহাবীৰ বজ্ৰকায়ৰ সৈতে ট্ৰোজান মহাবীৰ বীৰসিংগাই যুঁজিবলৈ প্ৰস্তুত হ'ল।

আৰম্ভণীত বীৰসিংগাই বজ্ৰকায়ৰ মুখামুখি নোহোৱাকৈ আঁতৰে আঁতৰে দৌৰি ফুৰিবলৈ ধৰিলে। বীৰসিংগাই ভাবিছিল যে তেওঁক ধৰিবলৈ দৌৰি দৌৰি বজ্ৰকায় এসময়ত নিশ্চয় ভাগৰি পৰিব, আৰু ঠিক তেতিয়াই বজ্ৰকায়ক আক্ৰমণ কৰি পৰ্যুদস্ত কৰিব।

কিন্তু বীৰসিংহৰ ধাৰণা ভুল প্ৰমাণিত হ'ল। ট্ৰয় নগৰীৰ প্ৰাচীৰৰ চাৰিওফালে কেইবাবাৰো চক্ৰাকাৰে দৌৰোৰাৰ অন্তঃতো বজ্ৰকায় অলপো ভাগৰি নপৰিল।

আৰু এসময়ত বীৰসিংগাই এই কৌশলী দৌৰণ বন্ধ কৰিবলগা হ'ল আৰু ঠিক সেই মুহূৰ্ততে বজ্ৰকায়ে বীৰসিংগাৰ বুকুত বজ্ৰ হেন প্ৰচণ্ড ভাবে মুষ্টাঘাত



কৰিলে, বীৰসিংগা প্ৰায় অচেতন হৈ তললৈ বাগৰি পৰিল। মৃত্যুৰ আগে আগে বীৰসিংগাই তেওঁৰ মৃতদেহ ৰজা মৰ্দনক সঁপিবলৈ বজ্ৰকায়ৰ ওচৰত কৰুণভাবে প্ৰাৰ্থনা জনালে।

কিন্তু বজ্ৰকায়ে বীৰসিংগাৰ এই অন্তিম প্ৰাৰ্থনালৈ কাণসাৰ নকৰিলে আৰু নিজৰ ৰথৰ সৈতে মৃত বীৰসিংগাৰ ভৰি এখন বান্ধি লৈ চোঁচোৰাই চোঁচোৰাই লৈ গ'ল।

তাৰ পাছত বজ্ৰকায়ে পিতৃকীৰ্তিৰ অন্ত্যেষ্টিক্ৰিয়া কৰিলে। এই অন্ত্যেষ্টি ক্ৰিয়া উপলক্ষ্যে বাৰজন ট্ৰোজান যুদ্ধ-বন্দীক বলি দিয়া হ'ল। এইবিলাকৰ

মাজত ৰজা মৰ্দনৰ দুই চাৰি পুত্ৰও আছিল।

কিন্তু তথাপি বজ্ৰকায়ৰ অন্তৰত জ্বলি থকা প্ৰতিশোধৰ জুই নিৰ্বাপিত নহ'ল। বজ্ৰকায়ে প্ৰতিদিনেই সেই পিতৃকীৰ্তিৰ অন্ত্যেষ্টিস্থানত ঘূৰি ফুৰিছিল, আৰু বীৰসিংগাৰ মৃতদেহলৈ ঘৃণাৰে চাইছিল।

এনিশা ট্ৰয়ৰাজ মৰ্দন ছদ্মবেশত আৰু কোনেও নেদেখাকৈ গ্ৰিক শিবিৰলৈ গ'ল তেওঁৰ পুত্ৰ বীৰসিংগাৰ মৃতদেহ ক্ৰয় কৰি আনাৰ মনেৰে। তেতিয়া বজ্ৰকায় টোপনিত লাল-কাল। ট্ৰয়ৰাজ মৰ্দনে মন কৰিলে একেঘাপে বজ্ৰকায়ৰ শিৰশ্ছেদ কৰিব পাৰিলেহেঁতেন। কিন্তু তেতিয়াৰ-কালৰ সজ্জনতাবোধৰ ৰীতি আচৰি তেওঁ ইমান নীচাত্মীকা কাৰ্য্যৰপৰা বৰত থাকিল, তেওঁ বজ্ৰকায় নিদ্ৰাৰপৰা সাৰ পোৱালৈ ৰৈ থাকিল।

সাৰ পাই বজ্ৰকায় অবাক হ'ল। যি কি নহওক— বজ্ৰকায়ে যথোচিত সৌজন্য সহকাৰে শত্ৰু-ৰজাক আদৰিলে আৰু তাৰ পাছত দুয়োৰো মাজত মৃত বীৰসিংগাৰ বিষয়ে কথা হ'ল। স্থিৰ হ'ল যে— বীৰসিংগাৰ মৃতদেহৰ ওজনৰ জোখাৰে সোণ দিলেই বীৰসিংগাৰ মৃতদেহ ঘূৰাই দিয়া হ'ব।

পাছত ট্ৰয়ৰাজ মৰ্দনে ৰাজকীয় ধন-ভঁৰালৰপৰা সোণ লৈ আহিল, কিন্তু পুত্ৰৰ মৃতদেহৰ ওজনতকৈ সামান্য কম পৰিল।

তেতিয়া ৰাজকুঁৱৰী প্ৰমোদিনীয়ে তেওঁৰ হাতৰ খাৰু এযোৰ তুলাচনীত দিবগৈ লোৱাত বজ্ৰকায়ে কৈ উঠিল, "মোক এই সোণ নালাগে, বা মই নলওঁ। তাতকৈ—মোৰ এই প্ৰস্তাৱটো ভাবি চাওক। ৰাজকুঁৱৰী প্ৰমোদিনীক মোৰে সৈতে বিবাহ প্ৰদান কৰক, আৰু অতুলসুন্দৰীক তেওঁৰ পতিলৈ ওভোতাই পঠাওক। তেতিয়া আমাৰ মাজত সন্ধি হ'ব, সন্ধিৰ পৰৱৰ্তী দায়িত্ব মোৰ।"

"প্ৰমোদিনীক তুমি পত্নীৰূপে ল'ব পাৰা; কিন্তু অতুলসুন্দৰীক আমি কোনো অৱস্থাতে ওভোতাই দিব নোৱাৰিম। এই চৰ্ত্তত যদি হয়—সন্ধিৰ বন্দৱস্ত কৰোঁ।" ট্ৰয়ৰাজ মৰ্দনে বজ্ৰকায়ক ক'লে।

বজ্ৰকায়ে ক'লে, "চেষ্টা কৰিম।"

ট্ৰয়ৰাজ মৰ্দনে তেওঁৰ পুত্ৰ বীৰসিংগাৰ মৃতদেহ লৈ গুচি গ'ল আৰু বজ্ৰকায়েও ৰাজকুঁৱৰী প্ৰমোদিনীক বিবাহ কৰাৰ চুক্তি কৰা হ'ল আৰু দুয়ো পক্ষৰ মাজত সন্ধি স্থাপনৰো দিহা কৰা হ'ল; কিন্তু এইবোৰ ঘটনাৰ মাজতে যে বজ্ৰকায়ৰ মৃত্যুৰ বীজ উদ্গত হ'ল—সেই কথা বজ্ৰকায়ে নাজানিলে।

ট্ৰয়-নগৰীক ধ্বংসৰপৰা ৰক্ষা কৰিবলৈ সাময়িকভাবে তেওঁৰ ভ্ৰাতৃহত্যাকাৰী ৰাজকুঁৱৰী প্ৰমোদিনীয়ে শত্ৰুপক্ষীয় সৰ্বশ্ৰেষ্ঠ শক্তিমান বজ্ৰকায়ক বিবাহ কৰাত



সন্মত হৈছিল এটি বিশেষ উদ্দেশ্য মনত লৈ ঃ কেনেবাকৈ বজ্ৰকায়ক বিনাশ কৰিব পাৰে, তেনেহ'লে ট্ৰয়ৰ জয় অৱধাৰিত।

প্ৰমোদিনীয়ে বজ্ৰকায়ক ভাল পোৱাৰ ভাও জুৰিলে আৰু কিছুদিনৰ চেষ্টাৰে এই জানিব পাৰিলে যে বজ্ৰকায়ৰ মৃত্যু কেনেকৈ হ'ব। সুপ্ৰাচীন ইতিহাসৰ স্যামছন আৰু ডিলাইলাৰ ক্ষেত্ৰতো এই একেই কৌশলেৰে ডিলাইলাই প্ৰেমৰ অভিনয় কৰি অজেয় স্যামছনক বধ কৰোৱাইছিল। যি হওক—প্ৰমোদিনীৰ প্ৰেমাভিনয়ত মোহ গৈ বজ্ৰকায়েও প্ৰেমৰ নিচাৰে ভোল গৈ বীৰশ্ৰেষ্ঠ বজ্ৰকায়ে কৈ দিলে যে তেওঁৰ সোঁ-ভৰিৰ তলুৱাৰ তলত কাঁড় বিন্ধাব পাৰিলেই— তেওঁৰ মৃত্যু নিশ্চিত।

"তুমি এটা কাম কৰা। কোনো অস্ত্ৰ-শস্ত্ৰ নোলোৱাকৈ আৰু ভৰিত পাচুকা নিপিন্ধাকৈ সূৰ্য্যমন্দিৰলৈ ব'লা। আমি সূৰ্য্য-ভগৱানক সাক্ষী ৰাখি পৰস্পৰ বিবাহিত হ'ম।" প্ৰেমৰ আলিংগনেৰে আৱদ্ধ প্ৰমোদিনীয়ে বজ্ৰকায়ক ক'লে।

নাৰীপ্ৰেমৰ গভীৰ আবেগেৰে চালিত বীৰ বজ্ৰকায় প্ৰমোদিনীৰ কথা মতেই শুদা হাতে শুদা ভৰিৰে সূৰ্য্যমন্দিৰলৈ গ'ল। প্ৰমোদিনীৰ লগত তেওঁৰ সখিয়েক কিছুমান আৰু সেইজনমান দেহৰক্ষী আছিল। প্ৰমোদিনীয়ে বজ্ৰকায়ৰ প্ৰতি প্ৰেমদৃষ্টিৰে চাই মৌমিঠাকৈ হাঁহিলে আৰু তেওঁৰ লৱণুকোমল হাতেৰে বজ্ৰকায়ক সাৱটি ধৰিলে।

আৰু ঠিক সেই মুহূৰ্ত্ততে সূৰ্য্যদেৱতাৰ প্ৰকাণ্ড মূৰ্তিৰ আঁৰত লুকাই থকা মোহনে প্ৰমোদিনীৰ ওপৰত কিঞ্চিত হালি পৰা বজ্ৰকায়ৰ সোঁভৰিৰ তলুৱাৰ তলত বিষাক্ত কাঁড় সবলে সুমুৱাই দিলে।

কিন্তু তথাপি বজ্ৰকায়ে মন্দিৰৰ অগ্নিকুণ্ডৰপৰা দুপাট জ্বলন্ত জোঁৰ দুয়ো-হাতত লৈ তালে গুপ্ত বেশেৰে অহা

ট্ৰোজান সৈন্যবিলাকক প্ৰজ্বলিত জুইৰে পুৰি ছাৰখাৰ কৰিবলৈ ধৰিলে।

*

ইপিনে গ্ৰিক-শিবিৰত কিছুমানৰ ধাৰণা হ'ল যে বজ্ৰকায় নিশ্চয় কিবা ষড়যন্ত্ৰত লিপ্ত হৈছে। বিষেশকৈ ৰূপধৰ আৰু ভূধৰৰ ধাৰণা নাছিল যে বজ্ৰকায়ে ৰাজকুঁৱৰী প্ৰমোদিনীক বিবাহৰ মূল্যত সন্ধিচুক্তিলৈ আগবাঢ়িছে। গতিকে— বজ্ৰকায় কিয় নিৰস্ত্ৰ অৱস্থাত পাতুকা নিপিন্ধাকৈ সূৰ্য্যমন্দিৰলৈ গ'ল, সেই কথাৰ ভু ল'বৰ মনেৰে ৰূপধৰ আৰু ভূধৰ মনে মনে সূৰ্য্যমন্দিৰলৈ গ'ল।

আৰু মন্দিৰৰ ভিতৰলৈ আহি ৰূপধৰ আৰু ভূধৰে বজ্ৰকায়ৰ অন্তিমক্ষণ দেখা পাই নিৰ্বাক-নিস্পন্দ হৈ পৰিল। বজ্ৰকায়ে সেহাই সেহাই ৰূপধৰ-ভূধৰক ক'লে "ট্ৰয় অধিকাৰ কৰাৰ পাছত মোৰ সমাধিৰ ওপৰত প্ৰমোদিনীক বলি দিব।"

ভূধৰে মহাবলী বজ্ৰকায়ৰ বিশাল দেহ নিজৰ কান্ধত উঠাই লৈ সেই ভয়ানক মন্দিৰ প্ৰাংগণৰপৰা তৎক্ষণাৎ ওলাই কোনেও নেদেখাকৈ আৰু সামন্যতম শব্দও নকৰাকৈ মেকুৰীখোজেৰে গ'ল।

*

বজ্ৰকায়ৰ মাতৃ তৰিণী শোকাকুলা হ'ল। লগে লগে সমগ্ৰ গ্ৰিক জাতি মুহ্যমান হৈ পৰিল। তেওঁলোকে সোতৰ দিন ধৰি শোক পালন কৰিলে, আৰু ওঠৰ দিনৰ দিন বজ্ৰকায়ক অগ্নিলৈ সমৰ্পণ কৰিলে। বজ্ৰকায়ৰ আৰু লগতে পিতৃ-কীৰ্তিৰো চিতাভস্ম সোণৰ কলহ ভৰাই সমাধিস্থলত এক মন্দিৰ নিৰ্মাণ কৰা হ'ল, সেই ঠাইডোখৰ নামকৰণ হ'ল বজ্ৰকায়ৰ নামত আৰু সেই সমাধি-মন্দিৰত বজ্ৰকায়ৰ মূৰ্তি প্ৰতিষ্ঠিত হ'ল। নাৱীৰ কৰ্ণাভূষণেৰে ঢাক খোৱা সিদিনাৰ সেই মূৰ্তি সেই মন্দিৰত আজিও বিদ্যমান। [আগলৈ



ভিতৰুৱা অৰ্থ

হৰিদত্তই চহৰত থকা চন্দ্ৰ চহৰীয়াৰ লগত তেওঁৰ ছোৱালীজনীৰ বিয়া পাতোঁতে তেওঁৰ বন্ধু ৰামনাথ তীৰ্থযাত্ৰালৈ ওলাইছিল। তীৰ্থ-যাত্ৰাৰপৰা ঘূৰি আহি ৰামনাথে হৰিদত্তক ক'লে, "তোমাৰ ছোৱালী-জনীৰ বিয়াত থাকিব নোৱাৰিলোঁ। বৰ খেদৰ কথা হ'ল। যি হওক, জোঁৱাই বোপাই কি কাম, কৰে?"

হৰিদত্তই কিছু চিন্তিত-বিমৰ্ষ যেন কণ্ঠেৰে "ক'লে, কৰে—মানে—সোণৰ গহনা বেচে।"

"ভাল কামকে কৰে দেখোন। পিছে—তোমাৰ কোৱাৰ ধৰণটোহে ভাল নহয়, যেনিবা সি কিবা বেয়া কামকে কৰে—এনেকুৱাকৈ কৈছা।" ৰামনাথে হৰিদত্তক কৰ্কশিলে।

দুয়ো কিছুসময়লৈ ইকথা-সিকথা পাতিলে। এইবোৰ কথাৰ মাজতে হৰিদত্তই তেওঁৰ জোঁৱায়েকৰ ফটো এখন ৰামনাথৰ দেখুৱালে। ছোৱালীজনীয়ে, ধুনীয়া হাৰ এডাল পিন্ধি থকা বিয়াৰ দিনৰ ফটো।

পাছদিনা ৰামনাথ গ'ল তেওঁৰ বন্ধু কোদণ্ডৰ সোণৰ দোকানলৈ। তাত বহি মেল মাৰি থাকোঁতে এজন যুৱক তালৈ আহিল আৰু এডাল ধুনীয়াৰো ধুনীয়া হাৰ কোদণ্ডক দেখুৱালে।

এই যুৱকক দেখামাত্ৰেই ৰামনাথে চিনি পালে যে এওঁ হ'ল হৰিদত্তৰ জোঁৱায়েক, আৰু হাৰডাল হ'ল হৰিদত্তৰ ছোৱালীক বিয়াত দিয়া হাৰ।

এতিয়াহে ৰামনাথে হৰিদত্তই চিন্তিত-বিমৰ্ষতাৰে কোৱা 'সোণৰ গহনা বেচে' বুলি কোৱা কথাষাৰৰ কথা বঢ়িয়াকৈ বুজি পালে। বুজি পালে—এই সোণৰ গহনা বেচাৰ ভিতৰুৱা অৰ্থ কি।





সিদ্ধান্ত

অটল প্ৰতিজ্ঞাৱদ্ধ বিক্ৰমাদিত্যই পুনৰ সেই সুপ্ৰাচীন গছজোপাৰ ডালৰপৰা মৃতদেহটো নমাই আনি কান্ধত পেলাই লৈ ঘোৰ অমানিশাৰ মাজেদি ভূত-প্ৰেত দৈত্য-দানৱৰ আবাসস্থল মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া মৃতদেহৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা বিক্ৰমাদিত্য! সিদ্ধান্ত লোৱাত খৰখেদ নকৰিবা, ধীৰে-সুস্থিৰে বিচাৰ-বিবেচনা কৰি সিদ্ধান্ত ল'বা। তুমি যদি গভীৰভাবে চিন্তা নকৰাকৈয়েই যুগ যুগ ধৰি এনে অমানুষিক শ্ৰম কৰিছা, তোমাৰ সকলো বাসনা ৰাজকুঁৱৰী সুলক্ষণাৰ দৰেই ব্যৰ্থ হ'ব পাৰে। তুমি যদি এই বিষয়ে সেই সুলক্ষণাৰ কাহিনী শুনি শুনি গৈ থাকা, তেনেহ'লে আন উপকাৰ কিবা নহ'লেও তোমাৰ পথশ্ৰমৰ লাঘৱ হ'ব।" এই বুলি কৈ, বেতালে ক'বলৈ ধৰিলে:

'বেতাল-কথা'

বহু বছ কালৰ আগৰ কথা। এবাৰ স্বৰ্ণপুৰী নামৰ ৰাজ্যত ভয়ংকৰ ভূঁইকঁপ হ'ল আৰু লগতে প্ৰলয়ংকৰ ঢলনিপানীও বৈ গ'ল। যেতিয়া প্ৰকৃতিয়ে পুনৰ পূৰ্বৰূপ ধাৰণ কৰিলে, তেতিয়া ৰাজ্যৰ এঠাইত মাটিৰ তলৰপৰা এক সুপ্ৰাচীন শিৱালয় ওপৰলৈ উঠি অহাৰ কথা জনা গ'ল। কথাটো ৰজাৰ কাণতো পৰিল।

ৰজা শূৰবৰ্মাদেৱৰ পুত্ৰী সুলক্ষণা আছিল পৰম শিৱভক্ত। সুলক্ষণাই তেওঁৰ পিতাকক ক'লে,"আমি কিমান ভাগ্যশালী যে এই শিৱালয় আমাৰ ৰাজ্যত ওলাল। মই পাঁচ-ছয় মাহৰ ভিতৰতে এই সুপ্ৰাচীন শিৱালয়ক নতুনকৈ সজ্জাম বুলি স্থিৰ কৰিছোঁ। মই নিজেই এই নিৰ্মাণকাৰ্য্যৰ পৰ্য্যবেক্ষণ কৰিম।"

তাৰ পাছত এদিন এক শুভ মুহূৰ্তত শিৱালয় সংস্কাৰৰ কাম আৰম্ভ কৰা হ'ল। সেই ঠাইত অস্থায়ী ঘৰ এটা সাজিলৈ ৰাজকুঁৱৰী সুলক্ষণাই তাতেই থাকিবলৈ ল'লে আৰু শিৱালয় সংস্কাৰক শিল্পী-বনুৱাহঁতক নিৰ্দেশ দিবলৈ ধৰিলৈ।

কিছুদিনৰ পাছত এদিন দুপৰীয়াৰ পৰতে বাঁহীৰ মধুৰ ধ্বনি শুনি ৰাজকুঁৱৰী সুলক্ষণা মোহিত হৈ পৰিল আৰু বাঁহীৰ ধ্বনি যিফালৰপৰা শুনা গৈছিল, সেই ফাললৈ অকলেই আগুৱাই গৈ থাকিল।

কিছুদূৰলৈ যোৱাৰ পাছত বিস্তৃত ঘাঁহনি এডৰাত কিছুমান গৰু-ছাগলী চৰি থকা দেখা পাই ৰাজকুঁৱৰী সুলক্ষণা তাত ৰ'ল। ৰাজকুঁৱৰীয়ে তাত সেই বংশী-বাদককো দেখা পালে। এখুজি-দুখুজিকৈ ৰাজকুঁৱৰী তাৰ কাষ চাপিল। সি তেতিয়াও চকু মুদি তন্ময়তাৰে বঁহী বজাই আছিল। বাঁহীবাদকৰ বাদনে ৰাজকুঁৱৰীক আগৰে-পৰাই মুগ্ধ কৰিছিল, এইবাৰ বাদকৰ সৌন্দৰ্য্যয়ো তেওঁক অধিক মুগ্ধ কৰিলে।

বাদন যেতিয়া শেষ হ'ল, তেতিয়া বাদকে চকু মেলি চাই যুৱতী এগৰাকীক

তাৰ আগত থিয় হৈ থকা দেখি উচপ খাই উঠি পোনদাহে থিয় হৈ দিলে।

ৰাজকুঁৱৰী সুলক্ষণাই মিচিকীয়াই হাঁহি ক'লে, "মই ৰাজকুঁৱৰী সুলক্ষণা। তোমাৰ বাঁহীয়ে মোক ইয়ালৈ টানি লৈ আহিল। তোমাৰ নামটোনো কি?"

গৰখীয়া যুৱকে ক'লে, "মোৰ নাম গোবিন্দ।" এই বুলি কৈ, ৰাজকুঁৱৰীক নমস্কাৰ কৰি গোবিন্দ তাৰপৰা গুচি গ'ল।

তাৰ পাছৰপৰা ৰাজকুঁৱৰী সুলক্ষণা প্ৰতিদিনেই তালৈ আহি থকা হ'ল আৰু গোবিন্দৰপৰা বাঁহী-বাদন শুনি থকা হ'ল।

আৰু এইদৰে ৰাজকুঁৱৰী আৰু গোবিন্দ পৰস্পৰৰ প্ৰতি আকৰ্ষিত হৈ পৰিল। দুয়োজনেই ভাবি থাকিল: প্ৰেমৰ এই বন্ধনক কেনেকৈ জীৱনৰ বন্ধন কৰি তুলিব পাৰি।

এদিন সুলক্ষণাই বাঁহী বজাই থাকোঁতে কোনোবা এজনীয়ে ক'ৰবাৰপৰা জোৰেৰে গল-হেঁকাৰি মাৰি উঠিল।

ৰাজকুঁৱৰীয়ে জিজ্ঞাসু দৃষ্টিৰে গোবিন্দলৈ চালে আৰু গোবিন্দই ক'লে, "সৌ তাত জোপোহাৰ আঁৰত পঁজা ঘৰ এটাত মোৰ আইতা থাকে, তেৱেঁই গল-হেঁকাৰি মাৰিলে।" এই বুলি কৈ, গোবিন্দই সুলক্ষণাক তাৰ আইতাকৰ ঘৰলৈ লৈ গ'ল।

সুলক্ষণাক দেখামাত্ৰেই বুঢ়ী আইতাকে কৈ উঠিল, "আই, তুমিনো কোন? মোৰ কথাত যেন বেয়া নোপোৱা, দেখাত গোবিন্দ যিমান ধুনীয়া, তুমিও সিমানেই। যেনিবা যোৰৰো যোৰ পাভযোৰ!" বুঢ়ীয়ে নিজেই হাঁহিলে, কিন্তু কি গোবিন্দ কি সুলক্ষণা—দুয়ো তলমূৰ হৈ দিলে।

তাৰ পাছত বুঢ়ীয়ে কিছুমখিনি বগা ফুল বুটলি আনি সুলক্ষণাৰ খোঁপাত পিন্ধাই দিলে আৰু ক'লে, "এই ফুলক মৌলশিৰী ফুল বোলে। পিন্ধি থাকা।" ৰাজকুঁৱৰী সুলক্ষণাই গোবিন্দক পতিৰূপে বৰিবলৈ মনস্থ কৰি পেলালে।

আৰু ঠিক সেই দিনাই গোধূলিৰ পাছত স্বয়ং মহাৰাজ শূৰবৰ্মা পুত্ৰী সুলক্ষণাৰ শয়নকক্ষলৈ আহিল।

মহাৰাজে সুলক্ষণাক ক'লে, "লক্ষণা, উদয়গিৰিৰ ৰাজকোঁৱৰ মণিদত্ত তোমাৰ পাণিপ্ৰাৰ্থী। কিন্তু—তেওঁ তোমাৰ যোগ্য হয়নে—সেই কথা তোমাৰপৰা জনাৰ আৱশ্যক। সেই কাৰণে মই তিনিদিনৰ অন্তত তেওঁক আমাৰ ইয়ালৈ আহিবলৈ নিমন্ত্ৰণ জনাইছোঁ। এই বিষয়ে তোমাৰ মতামত কি—অসংকোচে কোৱা।"

কিন্তু ঠিক তেতিয়াই সুলক্ষণাই গোবিন্দৰ কথা পিতৃক ক'ব নোৱাৰিলে।

পাছদিনা দুপৰীয়াৰ পৰতে সুলক্ষণাই গোবিন্দক সকলো কথা বিবৰি কোৱাৰ অন্তত মন্তব্য কৰিলে, "কোনো ৰজাৰ কোঁৱৰক মোৰ নালাগে, তোমাকহে লাগে। কিন্তু পিতাশ্ৰীক সেই কথা ক'বলৈ মোৰ সাহস নাই।"

গোবিন্দই ক'লে, বলা, "আইতাৰ ওচৰলৈ যাওঁ। কিবা এটা বুধি-দিব পাৰিব আইতাই।"

সুলক্ষণাই বুঢ়ী আইতাক ঘটনাৰ কথা ভাঙি-পাতি কোৱাৰ অন্তত ক'লে, আইতা, মোৰ কোনো সন্দেহ নাই যে পিতাশ্ৰীয়ে গোবিন্দক চাই ভালেই পাব। কিন্তু আচল কথা হ'ল যে—পিতাশ্ৰীক কথাটো কোৱাৰ সাহসহে মোৰ নাই।

আইতাই কিছু সময়লৈ চিন্তি থাকিল। তাৰ পাছত আইতাই ক'কে, সাহসৰ দৰকাৰ নাই। কাম এটা কৰা যাওক। উদয়গিৰিৰ ৰাজকোঁৱৰ মণিদত্ত এই বাটেদিয়েই যাব, কিয়নো উদয়গিৰিৰপৰা তোমালোকৰ ৰাজধানীলৈ যাবলৈ আন বাট নাই। আমি যেনেকৈয়েই নহওক—ৰাজকোঁৱৰক ইয়াত ৰখাম, আৰু আমাৰ গোবিন্দয়েই উদয়গিৰিৰ ৰাজকোঁৱৰ হৈ, ঘোঁৰাত উঠি তোমালোকৰ ৰাজধানীলৈ যাব।—হ'বনে?"

আৰু পাছদিনা, সঁচাসঁচিকৈ উদয়গিৰিৰ ৰাজকোঁৱৰ মণিদত্তই শ্বেত অশ্বত উঠি গৈ থাকোঁতে হঠাৎ আইতাকে "অ'—মোৰ বেপাটি—অ' মহীধৰ—মোৰ কথা শুন—অলপ খাই-বৈ যাচোন—" বুলি কৈ কৈ ৰাজকোঁৱৰ মণিদত্তক আগভেটি ধৰিলে।

ঘোঁৰা ৰখাই ৰাজকোঁৱৰ মণিদত্তই বুঢ়ীক ক'লে, "আইতা, মই মহীধৰ নহওঁ, মই উদয়গিৰিৰ যুৱৰাজ মণিদত্ত।" এই বুলি কৈ তেওঁ ঘোঁৰাৰপৰা নামি আহিল।

তাতেই অলপ আঁতৰত থিয় হৈ থকা গোবিন্দই মণিদত্তক একাষৰীয়াকৈ মাতি নি শুন-নুশুনকৈ ক'লে, "চাওক, মহীধৰ হ'ল আইতাৰ একমাত্ৰ নাতিল'ৰা। সি আছিল ৰজাৰ সৈনিক। যুদ্ধত তাৰ মৃত্যু হ'ল। আইতাই মহীধৰক খাই-বৈ যাবলৈ কৈছিল, কিন্তু মহীধৰে নোখোৱাকৈয়েই গুচি গৈছিল, আৰু সি আৰু উভতি অহা নাছিল। তেতিয়াৰে পৰাই বুঢ়ী আইতাৰ এই অৱস্থা। আপুনি যদি আইতাৰ ইচ্ছা পূৰায়, বৰ ভাল হ'ব।"

যুৱৰাজ মণিদত্ত আছিল দয়া, কৰুণা আদি গুণেৰে বিভূষিত। তেওঁ বুঢ়ীক ক'লে গৈ, "আইতা, বৰ ভোক লাগিছে, যি আছে খাবলৈ দিয়া।"

আইতাকে তৎক্ষণাৎ যুৱৰাজক মণিদত্তক খাবলৈ দিলে আৰু মণিদত্তয়ো বুঢ়ীক ভাল লগাবলৈ খোৱাবস্তুখিনি বৰ



আৰু তাৰ ফলত যুৱৰাজ মণিদত্তই প্ৰকৃতাৰ্থত অচেতন হৈ পৰিছিল।

তেতিয়া আইতাকে গোবিন্দক ক'লে, "তুমি এতিয়াই এই যুৱৰাজৰ কাপোৰ-কানিখিনি পিন্ধি লোৱা, আৰু এওঁৰ ঘোঁৰাত উঠি স্বৰ্ণপুৰীৰ ৰাজধানীলৈ যোৱা।"

*

গোবিন্দই মণিদত্ত হৈ স্বৰ্ণপুৰীৰ ৰাজপ্ৰাসাদলৈ গ'ল। ইমান সুন্দৰ মুখশ্ৰী যুক্ত যুৱৰাজক দেখা পাই মহাৰাজ শূৰবৰ্মাদেৱে বৰ ভাল পালে। তেওঁ সুলক্ষণাক ক'লেহি, "তুমি বাস্তৱিকতে ভাগ্যশালী। যুৱৰাজ দেখাত অপূৰ্ব সুন্দৰ।"

শুনি সুলক্ষণাৰ মনত আনন্দই নধৰা হ'ল। মহাৰাজ শূৰবৰ্মাই পাছদিনাই যুৱৰাজ মণিদত্তৰ সৈতে সুলক্ষণাৰ নৌকা-বিহাৰৰ বন্দবস্ত কৰিলে।

কিন্তু পাছদিনা নৌকা-বিহাৰলৈ ওলোৱাৰ আগে আগে ৰাজকুঁৱৰীৰ লিগিৰী এজনীয়ে ক'লেহি, "ৰাজকুঁৱৰী, এজনী বুঢ়ীয়ে আপোনাৰ নিমিত্তে এথোপ মৌল-শিৰী ফুল লৈ আহিছে। কিন্তু তেওঁ নিজই আপোনাক দিব বুলি ঠেহ ধৰিছে।"

মৌলশিৰী ফুলৰ কথা শুনিয়েই সুলক্ষণাই বুজি পালে যে সেই আইতা আহিল। সুলক্ষণাই লিগিৰীজনীক ক'লে

তৃপ্তিৰে খোৱাৰ ভাও জুৰি খালে।

খোৱা-বোৱাৰ অন্তত আইতাকৰ পঁজাতে ঢাৰি এখনৰ ওপৰত শুলে যুৱৰাজে আইতাকৰ নেৰানেপেৰা অনুৰোধত। আইতাকে যুৱৰাজ মণিদত্তক এবাটি গাখীৰ খাবলৈ আৰু মণিদত্তই বিনা আপত্তিৰে সেই গাখীৰখিনি খালে।

আৰু চাওঁতে চাওঁতে উদয়গিৰিৰ যুৱৰাজ মণিদত্তই আৰু একোৰেই নাজানিলে। তেওঁ গভীৰ টোপনিত লালকাল হৈ দিলে।

আইতাই সেই গাখীৰত কিবাকিবি গছৰ ছাল-শিপা আদি মিহলাইছিল,

বুঢ়ীক তেওঁৰ কক্ষলৈ লৈ আহিবলৈ।

আইতাকে কক্ষৰ চাৰিওফালে ভালকৈ চাই ল'লে আৰু তাৰ পাছত ৰাজকুঁৱৰীক ক'লে, "ৰাজকুঁৱৰী, সেই ৰাজকোঁৱৰৰ মণিদত্তৰ জ্বৰ উঠিল। মই দেৱাই দিছিলোঁ, কাম নহ'ল। সি এতিয়াও অগিয়ান হৈয়েই আছে। মেৰ এতিয়া তাৰ অৱস্থা চাই ডৰ লাগিছে। তুমি তোমালোকৰ বৈদ্যক তুৰন্তে লৈ তালৈ ব'লা।"

সুলক্ষণাই আইতাকক বিদায় দিলে আৰু গোবিন্দক সকলো কথা কোৱাৰ অন্তত ক'লে তাক, "মই নাও-বিহাৰলৈ নাহোঁ। মই আমাৰ ৰাজবৈদ্যক লগত লৈ লে তালৈ যাম।"

"কিয়—?" গোবিন্দই ভূৰু কোঁচাই ৰাজকুঁৱৰীক ক'লে, "উদয়গিৰিৰ যুৱৰাজৰ কথাত ইমান উদ্বিগ্ন হৈ উঠিলা কিয়?"

কিন্তু ৰাজকুঁৱৰী সুলক্ষণাই গোবিন্দৰ কথাৰ কোনো উত্তৰ নিদিয়াকৈ ৰাজবৈদ্যক লগত লৈ আইতাকৰ পঁজাঘৰ পালেগৈ।

ৰাজবৈদ্যই অচেতন যুৱৰাজ মণিদত্তক ভালকৈ পৰীক্ষা-নিৰীক্ষা কৰাৰ অন্তত তেতিয়ালৈকো অচেতন হৈ থকা মণিদত্তৰ কপালৰ ওপৰত কিঞ্চিত প্ৰলেপ লগাই দিলে আৰু ক'লে, "কোনো ভয় নাই। অলপতেই টোপনিৰপৰা সাৰ পাব, আৰু তাৰ পাছত এই বড়ি চাৰিটা খুৱাই দিলেই হৈ যাব।"

এই বুলি কৈ ৰাজবৈদ্য তৎক্ষণাৎ গুচি গ'ল, আৰু তেওঁ এইখিনি কথা পোনে পোনেই মহাৰাজ শূৰবৰ্মাক ক'লেগৈ।

আৰু কিছুমান সৈন্যৰে সৈতে মহাৰাজ শূৰবৰ্মাদেৱে কাল-বিলম্ব নকৰি তালৈ গ'ল। তিমানতে যুৱৰাজ মণিদত্তই চেতনা ঘূৰাই পাইছিল আৰু অতি ধীৰ কণ্ঠেৰে সুলক্ষণাক কিবাকিবি কৈ আছিল।

মহাৰাজ শূৰবৰ্মাই জিজ্ঞাসাৰ দৃষ্টিৰে ৰাজকুঁৱৰীলৈ চালে। ৰাজকুঁৱৰীয়ে পিতৃক একাষৰীয়াকৈ মাতি নি তেওঁৰ ছুয়োখন

হাতত ধৰি ক'লে, মোৰ পৰিকল্পনাৰেই গোবিন্দ ৰাজভৰন পাইছিলগৈ। আপুনি তাৰ ওপৰত ক্রুদ্ধ নহ'ব।"

আৰু তাৰ পাছত — আইতাকক অথন্তৰৰপৰা ৰক্ষা কৰিবলৈ সকলো দোষ নিজৰ ওপৰত লৈ ৰাজকুঁৱৰীয়ে মহাৰাজক ঘটনাৰ কথা বিবৰিলে।

মহাৰাজে জীয়েকক ক'লে, "খৰধৰকৈ —আগ-পাছ নুগুণি কোনো কাম কৰিব নাপায়, কোনো সিদ্ধান্ত ল'ব নালাগে। ঠিক আছে, যি হ'ল হ'ল। প্রথমে তুমি যুৱৰাজ মণিদত্তৰপৰা ক্ষমা খুজি লোৱা, তাৰ পাছত গোবিন্দক বিয়া কৰাবা।"

"ক্ষমা কৰিব মোক, পিতাশ্রী। আগ-পাছ নুগুণাকৈ যি সিদ্ধান্ত লৈছিলোঁ, সি মোৰ প্রকাণ্ড ভুল। মই মণিদত্তৰপৰা ক্ষমা খুজি ল'ম, কিন্তু গোবিন্দক নহয়, মণিদত্তকে বিয়া কৰাম।"

ইমানলৈকে কোৱাৰ অন্তত বেতালে ৰজা বিক্রমাদিত্যক ক'লে, "হে ৰাজন্! পোনতে ৰাজকুঁৱৰী সুলক্ষণাই ভাবিছিল গোবিন্দহেন গৰখীয়াক বিয়া কৰোৱাত পিতৃয়ে নিশ্চয় সন্মতি নিদিব। কিন্তু পাছত যেতিয়া দেখিলে যে পিতাকৰ আপত্তি নাই, তেতিয়া গোবিন্দক বিয়া নকৰাবলৈ স্থিৰ কৰিছিল কিয়? জানিও যদি সঠিক উত্তৰ নিদিয়া, তোমাৰ মূৰ চাৰি ফাল হ'ব—ধ্রুৱ বুলি জানিবা।"

বেতালৰ প্রশ্নৰ উত্তৰত বিক্রমাদিত্যই ক'লে, "গোবিন্দ আছিল কুচক্রী, ষড়যন্ত্রী; কিন্তু যুৱৰাজ মণিদত্ত আছিল উদাৰ-চিতীয়া, দয়ালান। সেই কাৰণেই পাছত ৰাজকুঁৱৰীয়ে বিবাহৰ বাবে সঠিক সিদ্ধান্তকে লৈছিল।"

এই কথা কোৱাৰ লগে লগেই বেতালে সেই মৃতদেহটোৰে সৈতে পুনৰ সেই গছলৈ সাউতকৰে গুচি গ'ল। [কল্পিত

[মহৰ্ষি ভট্টাচাৰ্য্যৰ ৰচনাৰ আধাৰত,]

ভাৰতৰ দুৰ্গ —২

দিল্লী নগৰীত যিমান দুৰ্গ আছে, ভাৰতৰ আন ক'তো সিমান দুৰ্গ নাই। দিল্লী নগৰী পাণ্ডৱৰাজকোঁৱৰ সকলে প্ৰতিষ্ঠা কৰিছিল বুলি কোৱা হয়। তেতিয়া অৱশ্যে এই নাম নাছিল, নাম আছিল **হস্তিনাপুৰ**, যদিও এতিয়াও প্ৰমাণিত সত্য নহয়। সুনিশ্চিত ভাবে যি কথা জানা যায়, সেয়া হ'ল যে— অনংগপাল নামৰ এগৰাকী ৰজাই **লালকোট** নামৰ ঠাইত, ৭৩৭ খৃষ্টাব্দত, আজিৰ কুতবমিনাৰৰ ঠাইত এটি দুৰ্গ নিৰ্মাণ কৰিছিল। প্ৰায় চাৰিশ বছৰৰ পাছত, তৃতীয় পৃথ্বীৰাজ চৌহানে একেই ঠাইত অন্য এটি দুৰ্গ নিৰ্মাণ কৰিছিল, পৃথ্বীৰাজ ৰায় পিথোৰা নামেৰে জনাজাত আছিল, আৰু তেওঁৰ নিৰ্মিত দুৰ্গক 'গড় ৰায় পিথোৰা' নামেৰে অভিহিত কৰা হৈছিল।

লালকোটৰপৰা লালকিল্লা

ৰচয়িতা : মীৰা উগ্ৰা
চিত্ৰাংকণ : গৌতম সেন

১৩০৩ খৃষ্টাব্দত আলাউদ্দিন খল্‌জিয়ে **কোশ্বক-ই ছিৰি** নামৰ দুৰ্গ নিৰ্মাণ কৰিছিল, যি ছিৰি ফ'ৰ্টত ১৯৮২ চনত এছিয়ান গেমছ অনুষ্ঠিত হৈছিল। মোংগল অভিযানকাৰীইঁতক বাধা দিবলৈ—ঘিয়াছউদ্দিন, মহম্মদ আৰু ফিৰোজ শ্বাহই তিনিটা দুৰ্গ মিাণ কৰিছিল=তুঘলকাবাদ, আদিলাবাদ

(জাহাপনা) আৰু ফিৰোজশ্বাহ কোটলা। এইবিলাক দুৰ্গৰ ধ্বংসাৱশেষ আজিও বিদ্যমান।

তুঘলকাবাদ

 © Amrita Bharati, Bharatiya Vidya Bhavan 1995

এতিয়া এই দুৰ্গ 'পুৰাণা কিল্লা' নামেৰে জনাজাত, যিটো দ্বিতীয় মোগল সম্ৰাট হুমায়ুঁ (হুমায়ুন)ৰে আৰম্ভ কৰিছিল আৰু শ্বেৰ শ্বাহ শুৰে সমাপ্ত কৰিছিল।

আকবৰে তেওঁৰ সাম্ৰাজ্যৰ ৰাজধানী আগ্ৰালৈ স্থানান্তৰিত কৰিছিল। তেওঁ বাদলগড় নামৰ দুগ এটাক নুতনকৈ নিৰ্মাণ কৰি অধিক সুৰক্ষিত কৰি লৈছিল। এই দুৰ্গ ৰঙা ৰঙৰ বালিশিলেৰে সজোৱা বাবে দুৰ্গটোৰ নাম হৈছিল লালকিল্লা

পুৰাণাকিল্লা

লাল কিল্লা, আগ্ৰা

এই অদ্বিতীয় আৰু অতি সুৰক্ষিত দুৰ্গৰ দুটা গড়খাৱৈ আৰু দুখন বাহিৰা প্ৰাচীৰ আছে।

লাল-কিল্লাৰ নিৰ্মাণ-দৃশ্য, আকবৰনামাৰপৰা লোৱা হৈছে,

দুৰ্গৰপৰা দুঃসাহসিকভাবে পলাই যোৱাৰ এক কাহিনী অতীতৰ পাতৰপৰা ৰোটলা হৈছে। অমৰ সিং নামৰ এগৰাকী ৰাজপুত সৈনাধ্যক্ষ, যিজনে আকবৰৰ নাতিয়েক শ্বাহজহাঁক (ছাহজাহান) চোৱা-চিঁতা কৰাৰ কামত নিযুক্ত আছিল ; এদিন কিবা কথাত অতিপাত ক্ৰুদ্ধ হৈ অমৰ সিঙে ৰাজকীয় কোষাধ্যক্ষ ছালাভাত খানক হত্যা কৰিলে। ছালাভত খানে অমৰ সিঙৰ বিৰুদ্ধে সদায় নানান যড়যন্ত্ৰ কৰিছিল। যি কি নহওক—দুৰ্গত বন্দী অমৰ সিঙে দুৰ্গৰ ৩০ ফুট ওখ প্ৰাচীৰ বগাই সেই প্ৰাচীৰৰপৰা তললৈ জঁপিয়াই পৰি পলাই গ'ল। তেতিয়াৰপৰা এই দুৰ্গৰ ঘাই দুৱাৰ 'অমৰসিং দৰওৱাজা' বুলি অভিহিত।



অমৰসিং দৰওৱাজা



দিওৱান-ই-আম অৰ্থাৎ (জনসাধাৰণৰ বাবে সভাগৃহ) লালকিল্লা, দিল্লী

শ্বাহজহাঁই ৰাজধানী পুনৰ দিল্লীলৈ স্থানান্তৰিত কৰিলে আৰু তাত ১৬৩৯ চনৰ ১২ মে'ৰ দিনা শ্বাহজহাঁবাদত এক নতুন নগৰ সাজিবলৈ ধৰিলে। আগ্ৰাৰ কিল্লাৰ দৰেই ৰঙা ৰঙৰ বালিশিলেৰে ইয়াতো নতুন দুৰ্গ নিৰ্মাণ কৰা হ'ল, আৰু এই দুৰ্গও লালকিল্লা নামেৰেই জনাজাত হ'ল। সম্ৰাট শ্বাহজহাঁই এই দুৰ্গত অতি সমাৰোহেৰে ১৬৪৮ চনৰ ১৮ এপ্ৰিলৰ দিনা বিচাৰসভা পাতিছিল।

সম্ৰাট শ্বাহজহাঁৰ সুবিখ্যাত ময়ুৰ সিংহাসন সোণ আৰু ৰূপৰ সৰু সৰু স্তম্ভেৰে সুসজ্জিত কৰা হৈছিল। ময়ুৰ সিংহাসনৰ খ্যাতি ভুৱনবিদিত। পাছত সম্ৰাট শ্বাহজহাঁৰ পুত্ৰ দাৰা শ্ব্‌কোহ্‌-ই কবি ফিৰদৌছিৰ কবিতা এফাকি ময়ুৰসিংহাসনত খোদিত কৰোৱাইছিল : যদি ক'ৰবাত স্বৰ্গ আছে, ইয়াত, ইয়াত, ইয়াতেহে···।

বহাদুৰশ্বাহ জাফৰ

কিন্তু সেই স্বৰ্গ চাওঁতে চাওঁতে নৰকলৈ ৰূপান্তৰিত হ'ল। সম্ৰাট আউৰংজেবৰ পাছত মোগল সাম্ৰাজ্য ক্ৰমাগত ধ্বংস হ'বলৈ ধৰিলে আৰু নাদিৰশ্বাহ আহমেদশ্বাহ আবদালি আদিৰ আক্ৰমণত দুৰ্গ অধিকৃত হ'ল।

১৮৫৭-৫৮-ৰ দিনত মোগল সাম্ৰাজ্যত তেজৰ সোঁত বৈ গ'ল, বৃটিছৰ ইস্ট ইণ্ডিয়া কম্প্যানিয়ে ভাৰতৰ শাসন চলাবলৈ ধৰিলে আৰু বৃদ্ধ বহাদুৰশ্বাহ জাফৰক ৰজা পাতিলে। যেতিয়া বিদ্ৰোহ প্ৰশমিত হ'ল, বৃটিছে সেই দুৰ্গতে বিচাৰৰ ভেকো-ভাওনা পাতি সম্ৰাট বাহাদুৰশ্বাহক অপৰাধী সাব্যস্ত কৰি মান দেশলৈ (আজিৰ মিয়ানমাৰ) নিৰ্বাসিত কৰিলে।

১৯৪৭ চনৰ ১৫ অগাস্টৰ দিনা ভাৰত স্বাধীন হ'ল, বৃটিছৰ পতাকা নমাই পেলোৱা হ'ল আৰু পণ্ডিত নেহৰুৱে ভাৰতৰ জাতীয় পতাকা উত্তোলন কৰিলে সেই লালকিল্লাতেই।

'লালকোটৰপৰা লালকিল্লা' অধ্যায় এইদৰে সমাপ্ত হ'ল।

লালকিল্লা, দিল্লী

জ্ঞানৰ সাৰকথা

নন্দ পঢ়া-লিখা জনা যুৱক। কিন্তু তাৰে বৰ ফল নহ'ল। পঢ়া-লিখাটো হোৱা সত্বেও চাকৰি এটা বহু চেষ্টাৰেও নাপালে, আজ তাৰ কাৰণে পালে সকলোটিৰপৰা গৰিহণা-ককৰ্থনা। ঘৰত ককায়েক বৌয়েকে কয়ঃ বাদ দিয়া তোমাৰ পঢ়া-লিখাৰ কথা। দেখিছোঁৱেই নহয়—পঢ়া-লিখা পচা-গেলা, তাৰে হয় ধোদৰপচলা। চবেই তাক প্ৰায় এই একেদৰেই কয়, কেৱল ৰাধাজনীয়েহে নকয়।

ৰাধাৰ দেউতাক ধনৱান, আৰু ৰাধা তেওঁৰ একমাত্ৰ সন্তান।

নন্দই ভাবিছিল যে ৰাধাজনীক বিয়া কৰাই সি সুখৰ মুখ দেখা পাব। এদিন ৰাধাক সি ক'লেও কথাটো। ৰাধাই সে সেকৈ হাঁহিছিল আৰু কৈছিল, "ওঁ, ওঁ—ময়ো তোমাক জীৱনলগৰী হিচাপে পাবলৈ বিচাৰোঁ অৱশ্যে, কিন্তু তথাপি তোমাক বিয়া নকৰাওঁ। মই বিয়া কৰাম—ধন থকা জনক} কিয়নো মই ধনতে ওপজা, ধনতে মোৰ জীৱনৰ মজা। মই বিয়া কৰাম—যিজনৰ নিজৰ যোগ্যতা আছে, সামৰ্থ্য আছে। তুমি মানুহজন ভাল, কিন্তু ভাল হ'লেও—অসামৰ্থ্যতাহে তোমাৰ কাল।"

বিশেষকৈ ৰাধাৰ কথাই তাক ইমানেই আমনি দিলে যে—সি আত্মঘাতী হোৱা-টোকে থাটাং কৰি হাবিলৈ গ'ল আৰু চিপজৰী ল'বলৈ এজোপা গছৰ ডাল এটাত ৰছী এডাল বান্ধি পেলালে।

ঠিক তেতিয়াই সেই হাবিৰ মাজেদি

প্ৰফুল্ল পাঠক

আহি থকা পণ্ডিত মানুহ এজনে তাক চিপজৰী লোৱাৰপৰা ৰখালে আৰু তাক ক'লে, "এই জংগলত সাধু আৰু ক্রূৰ জন্তু—দুয়োবিধেই আছে। সাধু জন্তুৱে ক্রূৰ বা হিংস্র জন্তুক ভয় কৰে, হিংস্র জন্তুৱে ভয় কৰে চিকাৰীক। এইদৰে পৰস্পৰে পৰস্পৰক ভয় কৰে। প্ৰাণ বা প্ৰাণীমাত্ৰেই বিপদেৰে অৱৰুদ্ধ হৈ থাকে, তথাপি প্ৰাণ আনন্দময়, তথাপি আনন্দময়। কিয়নো ইমান পুলিতেই মৰহি যাবলৈ—বা মৰি যাবলৈ জৰী লৈছা ?

পণ্ডিতে ক'লে, "দহটকীয়া হোৱাৰ দহো কুৰি উপায় আছে। পৰনির্ভৰ মানুহক কোনেও ভাল নাপায়। নিজে যি পাবা, তাৰেই তুষ্ট থাকিবা, আনৰ ধনলৈ চকু নিদিবা। নিজৰ সমৰ্থতাৰে নিজৰ ভৰিত থিয় হৈ খোপনি লৈ জীৱন কটোৱা—চবেই তোমাক ভাল পাব। আৰু যদি মানুহৰ সমাজত থাকিবলৈ টান পোৱা—হাবি-জংগলতে থাকিবা। ইয়াত ফল-মূল-কন্দ—আৰু যে কত কত খাদ্য আছে, যাৰে পেটও পূৰাব পাৰিবা। পিছে—ইয়াত জীৱন-যাপন—মানৱাৰণ্যত জীৱনযাপনতকৈ কষ্টকৰ। কাম এটা কৰিবানে কি ভাবি চোৱা। মোৰ লগত চহৰলৈ ব'লা। তোমাৰ উপায়ৰ উপায় হৈ যাব।"

নন্দ এককথাত ৰাজী হ'ল, আৰু পণ্ডিতৰ সৈতে চহৰলৈ গৈ থাকিল। বাটত ৰাতি হ'ল, আৰু ৰাতি কাতি হ'বলৈ দুয়ো এখন খাজিখোৱাত ৰ'ল। কিন্তু মাজনিশা চোৰ এটাই পণ্ডিতৰ মাল-মতংখিনি লৈ যেতিয়া পলাই যাবলৈ যো-জা কৰিছিল, তেতিয়া খাজিখোৱাত থকা মানুহখিনিয়ে চোৰটোক হাতে-লুটে ধৰিলে আৰু তাক মৰা-পিটাও কৰিলে। তেতিয়া পণ্ডিতে মানুহখিনিক ৰখালে আৰু ক'লে, "চুৰি কৰিছিল কিয়—সেই কথাটো খৰচি মাৰি জানিব লাগে।"

চোৰটোৱে নিজৰ অবর্ণনীয় কষ্টৰ কথা ক'লে, আৰু তাৰ জীৱনৰ আলৈ-আথানিৰ কথা শুনি সকলোটিয়েই কষ্ট অনুভৱ কৰিলে।

পণ্ডিতগৰাকীয়ে হাঁহিলে আৰু ক'লে, "কেৱল কষ্ট হ'লেই নহ'ব, তাৰে তাৰ কষ্ট দূৰ ন'হব ; যদি পাৰে—নগদে-নগদ সহায় কৰক। সমাজৰ এজন মানুহ যে চোৰ হ'ল—দোষকেৱল চোৰৰ নহয় — আমাৰহে।"

পণ্ডিতৰ কথাই গুণ দিলে। চোৰটোক প্ৰায় সকলোটিয়েই কিছু কিছু দিলে। তাৰে তাৰ হাতত প্ৰায় এশ টকা জমা হ'ল। তাৰ পাছত সি সকলোটিকে নমস্কাৰ কৰি, খোজ লোৱা হ'ল। কিন্তু পণ্ডিতে তাক ৰখালে।

পণ্ডিতে ক'লে তাক, "শুনা, তুমি চোৰ হৈ সোমাই ভিখাৰী হৈ ওলাইছা। এইবাবে লাজ লগা নাইনে তোমাৰ ?"

চোৰটোৱে ক'লে, "আপুনিয়েই ক'ক, মই তেনে কি কৰোঁ। মই এই কথা দিব পাৰোঁ যে—মই ই জীৱনত আৰু কেতিয়াও চুৰি-তাৰি নকৰোঁ। এই টকাখিনিৰে মই কিবা সৰুসুৰা বেপাৰ কৰিম, ঠিক পথত চলি থাকিম, ইফাল-সিফাল নহ'ব।"

পণ্ডিতে ক'লে, "শুনা, এই এশ টকাৰে তুমি কোনো বেহা-বেপাৰ কৰিব নোৱাৰিবা। বৰঞ্চ তুমি ভাওনাৰ দলত



যোগ দিয়াগৈ। তুমি যেনেকৈ আমাৰ মন মুহিলা—তোমাক এজন ভাল ভাৰৱীয়া বুলি ভাবিবই লাগিব।”

তাৰ পাছত পণ্ডিত আৰু নন্দ পুনৰ আগ বাঢ়িল। গৈ থাকোঁতে নন্দই পণ্ডিতক ক’লে, “আপোনাৰ নিচিনা জ্ঞানী সকলোতে থকাহেঁতেন, দুনিয়া-খনত অপৰাধ বোলা একো নহ’লহেঁতেন।”

“নহয়—” পণ্ডিত ক’লে, “তোমাৰ ধাৰণা ভুল। জ্ঞানে সকলো অৱস্থাত সকলোৰে পক্ষে গুণ নিদিয়ে। চহৰত থকা যজমানৰ ওচৰলৈ গ’লেহে মোৰ কথাৰ মৰ্মাৰ্থ ঠাৰৰ কৰিব পাৰিবা।”

বাটত পণ্ডিতে নন্দক মানৱজীৱনৰ বিভিন্ন অৱস্থাৰ কথা বুজাই ক’লে আৰু কিছু কিছু দৃষ্টান্তও দেখুৱালে।

এঠাইত এজন মানুহৰ মৃত্যুক্ষণ চাপি আহিছিল আৰু মৃত্যুমুখী মানুহজনৰ লগাভগাহঁতে হায়ঔ-বিঔ কৰিব ধৰিছিল। পণ্ডিতে ক্ৰুদ্ধ হৈ সেই মানুহখিনিক কৈ উঠিল, “এই বেমাৰীজনৰ মুখত মৃত্যুৰ চিন-মোকামো নাই। হায়ঔ-বিঔ নকৰি বৈদ্য এজনক মাতি লৈ আহাগৈ।”

দুজনমানে দৌৰি গৈ বৈদ্য এজনক লৈ আহিল। বৈদ্যই ক’লে যে—কন্দাৰ কাৰণ নাই, এই বেমাৰীৰ শৰীৰত মৰাৰ লক্ষণ নাই।”

বৈদ্যই দৰবপাতি দি গুচি যোৱাৰ পাছত বেমাৰী মানুহজনৰ আত্মীয় এজনে পণ্ডিতক মাননী হিচাপে কিছুখিনি ধন দিব খোজাত পণ্ডিতে হাঁহি মাৰি ক’লে “মই যে এজন বেমাৰীৰ কামত আহিছোঁ—এয়ে মোৰ পক্ষে যথেষ্ট তৃপ্তি। মোৰ জ্ঞান ৰ’দ-বায়ুৰ দৰে সকলোতে বিয়পি পৰক সকলোটিয়ে উপকাৰ পাওক—এয়ে মোৰ কাম্য।” এই বুলি কৈ পণ্ডিতে নন্দক লৈ তাৰপৰা গুচি গ’ল।

গধূলিৰ পাছত পণ্ডিত আৰু নন্দই চহৰ পালেগৈ।

পাছদিনা পণ্ডিতে নন্দক লগত লৈ তেওঁৰ যজমানৰ ওচৰলৈ গ'ল। যজমানে তেতিয়া পাটৰ কাপোৰ পিন্ধি, ডিঙিত ৰত্নহাৰ ওলোমাই, দেহত সুগন্ধি সানি জপতপ কৰি আছিল।

পণ্ডিতক দেখা পায়েই যজমান চতুৰাননে চাউডাং উঠাদি উঠিলে, "আপুনি পৰহি দিনা আহিব লাগিছিল। আপুনি ইমান পলম কৰাত মোৰ লাখ টকা লোকচান হ'ল। এডাল হীৰাৰ হাৰ, কিনিব নোৱাৰিলোঁ, কিয়নো মই তো হীৰাৰ আচ্‌লি-নক্‌লী চিনি নাপাওঁ। যদি এইদৰে কথাৰ ঠিকঠাক নথকা হয়, কেনেকৈ নির্ভৰ কৰিম আপোনাৰ ওপৰত?"

পণ্ডিতে বাৰে বাৰে ক'লে যে আগলৈ কেতিয়াও এনেকুৱা নহ'ব। তেতিয়া যজমান চতুৰানন শান্ত হ'ল।

তেতিয়া চতুৰানন কর্মচাৰী এজনে আন এজন মানুহক তালৈ লৈ আহিল আৰু চতুৰাননক ক'লে, "ই বিশ্বাসীৰ ভাও দিছিল, কিন্তু চুৰি কৰিবলৈ চেষ্টা কৰিছিল।"

যজমানে আদেশ দিলে, "ইয়াৰ মূৰ খুৰাই, পিঠিত চোৰ বুলি লিখি গাধৰ পিঠিত বহুৱাই চহৰৰ বাটে বাটে ঘূৰি ফুৰোৱা, তেতিয়াহে ইয়াৰ শিক্ষা হ'ব।"

চতুৰাননৰ কথা শুনি পণ্ডিত চুপ হৈ গ'ল। আৰু চুপ হৈ যোৱা পণ্ডিতক



আৰু এইবাৰো পণ্ডিত মুখত কোবোৱা দমবাহেন হৈ থাকিল যেতিয়া, নন্দই আচৰিত মানিলে।

চতুৰাননে পণ্ডিতক ক'লে নিজৰ দেহৰ কথা, আহাৰ-বিহাৰৰ নিয়ম-অনিয়মৰ কথা। তেতিয়া তালৈ আহিল এজন ৰত্ন-ব্যৱসায়ী, আৰু এইবাৰ পণ্ডিতে তেওঁৰ যজমান চতুৰাননক উৎকৃষ্ট ৰত্ন বাছি উলিউৱাত সহায় কৰিলে।

যেতিয়া সকলো কাম হৈ গ'ল, তেতিয়া পণ্ডিতে নন্দলৈ অঙুলিয়াই চতুৰাননক ক'লে, "আপোনাৰ ওচৰত আমাৰ এই নন্দক কিবা এটা কামত মকৰল কৰক। নহয় বুলি নকয় যেন।

চতুৰাননে নন্দক কামত ল'লে। ব্যৱসায়ৰ হিচাপ ৰখাৰ কামত।

দুয়ো তাৰপৰা উভতি খোজ ল'লে। বাটত পণ্ডিতে নন্দলৈ ধন্যবাদ জনালে।

নন্দই পণ্ডিতক সুধিলে, "চতুৰানন ডাঙৰীয়াই আপোনাৰ জ্ঞানৰ সহায় লোৱা নাই কিয় ?"

পণ্ডিতে ক'লে, "মোৰ জ্ঞানৰ সহায়তহে তেওঁ লাখ লাখ টকা আৰ্জিব পাৰিছে।"

"মই ৰত্ন বা হীৰাৰ কথা কোৱা নাই। অন্য বিষয়ত যজমান ডাঙৰীয়াই দেখোন

দেখি নন্দ অবাক হ'ল। সেই খাজি-খোৱাৰ চোৰৰ ক্ষেত্ৰত পণ্ডিতে যি ব্যৱস্থা লৈছিল, সেই কথা নন্দৰ মনত পৰিল।

তেওঁৰ আন এজন কৰ্মচাৰীয়ে এই চতুৰাননৰ কাষ চাপিল, পুতেকৰ বেমাৰ, পাইচা লাগে।

চতুৰাননে কৈ উঠিল, "মই এইখন চহৰত কিয় দেৱ-মন্দিৰ বনালোঁ জানানে ? ধনিকে ধনৰ সহায়ত বেজালি কৰাৰ পাৰিব, কিন্তু তোমালোকৰ সহায় হ'ব স্বয়ং ভগৱান। যোৱা, তালৈ যোৱা, চব পাই যাবা।" পণ্ডিতৰ পিনে চাই চাই চতুৰাননে কৰ্মচাৰীজনক ক'লে।

আপোনাৰপৰা কোনো উপদেশ-পৰামৰ্শ নলয়। আৰু—তেওঁ যেতিয়া ত্ৰুটিপূৰ্ণ সিদ্ধান্ত লয়, তেতিয়া আপুনি মনে মনে মনে থাকে কিয়—মই বুজা নাই।”

“তেওঁৰ সিদ্ধান্ত ত্ৰুটিপূৰ্ণ বুলি কোৱা-হেঁতেন, তেওঁ মোৰ ওপৰত বিৰক্তহে হ'লহেঁতেন। মই চুপ হৈ থকাতহে তেওঁ তুষ্ট হৈছিল, আৰু তাৰ ফলত—মই কোৱামাত্ৰেই তেওঁ তেমাক চাকৰিত মকৰল কৰিছিল। এতিয়া বুজিলানে কিহৰপৰা কি হয়?” পণ্ডিতে ক'লে। প্ৰথমৰফালে তেওঁ চতুৰানমে আপোনাৰ ওপৰত উগ্ৰ খং জাৰিছিল। আপুনি অপমান নাপাইছিলনে? নন্দই পণ্ডিতক সুধিলে, আপোনাৰ “আত্মাভিমান বোলা একো নাই নোকি?”

পণ্ডিতে হাঁহিলে আৰু ক'লে, “অজ্ঞানীৰ কাৰণে ধনেই হ'ল ধৰ্মৰ মূল, ধনৰ কাৰণে সিহঁতে আন সকলো বিসৰ্জন কৰিব পাৰে। সিহঁতৰ আৰাধ্য ঈশ্বৰো ধনেই। কিন্তু মই জ্ঞানী নহৈ অজ্ঞানী হোৱাহেঁতেন অপমান নামৰ শব্দটোৰ কোনো বিশেষ অৰ্থ নাথাকিলহেঁতেন। আৰু যে—আত্মা-ভিমানৰ কথা। আত্ম হ'ল স্বয়ংপ্ৰকাশ। নিত্য নতুন প্ৰকাশ। আত্মাভিমান মালিন্যহীন। যিসকলে মোক গালি বা গুৰুলগালি পাৰে, মোৰ দৃষ্টিত সিসকল হ'ল শিশু। বাকী থাকিল জ্ঞানৰ কথা। জ্ঞানপূৰ্ণ উপদেশ বা পৰামৰ্শ যিহঁতক নালাগে, সিহঁতক সেইবোৰ দিবও নাপায়; কিয়নো তেতিয়া হিতে বিপৰীত হোৱাৰো সম্ভাৱনা থাকে। জ্ঞানৰ সাৰ কথা হ'ল আত্মসংযম।”

তেতিয়া নন্দৰ মনৰপৰা সন্দেহৰ অন্ধকাৰ গুচি পোহৰ হ'ল, আৰু এইজনা জ্ঞানীৰ পথ অনুসৰণ কৰি জীৱন চলাই জীৱনত কাঁইটৰ মাজতো কিঞ্চিত সুখ অনুভৱ কৰা হ'ল।



'আইতা'ৰ মুখত ৰং

পাৰীৰ (পেৰিছ) নাগৰিকসকলে 'আইতা' বুলি মাতে। এই 'আইতা' হ'ল—ইফেল টাওৱাৰ, যাৰ বয়স হ'লগৈ ১০৬ বছৰ। প্ৰতি সাত কি আঠ বছৰৰ বাদে বাদে আইতাৰ মুখত এবাৰকৈ ৰং সনা হয়, প্ৰসাধন কৰা হয়। এইবাৰ হ'ল আইতাৰ মুখত ৰং সনাৰ ১৭ তম বাৰ। ১৮৮৭ চনত গুস্তাভ আলেগচান্দ্ৰ ইফেল নামৰ ব্যক্তি এগৰাকীয়ে ফৰাছি বিপ্লৱৰ ১০০ বছৰৰ সোঁৱৰণত এই টাওৱাৰ সাজিছিল এই টাওৱাৰ ৫০ ফুট (৩২০ মিটাৰ) ওখ। ইমান উচ্চতালৈ উঠি কাম কৰাৰ বাবে গুস্তাভ ইফেলে বনুৱাইতক যথেষ্ট অধিককৈ পাৰিশ্ৰমিক দিছিল। এতিয়া যিসকলে আইতাৰ মুখত ৰং সানিছে, সিসকলেও অধিক পাৰিশ্ৰমিক পাইছে ইমান উচ্চতালৈ উঠি কাম কৰাৰ বাবে। আইতাৰ মুখত ৰং সনাত ১৫—২০ মাহ সময়ৰ আৱশ্যক হ'ব, ৫০ টন ৰং লাগিব। ছেইন নৈৰপাৰত অৱস্থিত এই ইফেল টাওৱাৰৰূপী 'আইতা'ক বছৰেকত প্ৰায় ৬০০০০০০ মানুহে চাবলৈ আহে। এই সুবিখ্যাত টাৱাৱাৰটোৰ দৰ্শনৰ বাবে জনসাধাৰণৰ আগত উন্মুক্ত হৈছিল ১৮৮৯ চনত।

প্ৰথমগৰাকী মহাকাশযান-চালিকা

আইলিন কলিনজ নামৰ ৩৮ বছৰীয়া মহিলা-গৰাকীয়ে আঠ দিন ধৰি মহাশূন্যত মহাকাশযান চলোৱাৰ অন্তত সন্তহতে মহাকাশৰপৰা ঘূৰিল। তেওঁ মহাকাশযান চলোৱাৰ ইতিহাসত ৰেকৰ্ড সৃষ্টি কৰিলে। যোৱা ফেব্ৰুৱাৰিৰ ৩ তাৰিখে আমেৰিকাৰ 'ডিজকভাৰি' নামৰ মহাকাশযান যান 'মিৰ'ৰ সৈতে মিলিত হৈছিল। মহাকাশযান দুখন ইমানেই গা তে লগা হৈছিল যে তেওঁলোকে পৰস্পৰক অভিবাদন জ্ঞাপন কৰিব পাৰিছিল। কেইমাহমান পাছত ডিজকভাৰিক মিৰৰ সৈতে লগ লগাবলৈ পুনৰ মহাশূন্যলৈ পঠোৱা হ'ব। আইলিনে সকলোতে যেতিয়া মহাকাশযানৰ পাইলট হোৱাৰ ইচ্ছা প্ৰকাশ কৰিছিল, কোনেও তেওঁৰ কথাত পাত্তা দিয়া নাছিল।

'তৃষ্ণা'ত দীপান্বিতা

ছেকেণ্ড লিউটেন্যাণ্ট দীপান্বিতা দাস হ'ল আন এগৰাকী অ্যাডভেঞ্চাৰ-প্ৰিয় মহিলা। ১৯৯৪ চনৰ মাৰ্চত ইণ্ডিয়ান আৰ্মিত যোগদান কৰি, সাত মাহৰ পাছত 'তৃষ্ণা' নামৰ অতি সৰু ডিঙাৰ দৰে জাহাজ এখনত উঠি বম্বেৰপৰা ছিংগাপুৰলৈ গৈছিল আৰু চাৰি মাহৰ অন্তত উভতি আহিল। সৰুৱে সৰু জাহাজখনত ১২ জনৰ মাজত আছিল তেৱেঁই একমাত্ৰ মহিলা। তৃষ্ণাই ১১০০০ কিল'মিটাৰ সাগৰ-ভ্ৰমণৰ যোগে দি মালদ্বীপ, শ্ৰীলংকা, আন্দামান, থাইল্যাণ্ড, ইন্দোনেজিয়া, মালয়েছিয়া আৰু ছিংগাপুৰ পৰিভ্ৰমণ কৰি পুনৰ ঘৰ পালেহি।

মহাভাৰত

পাণ্ডুৱসকলে ধৃতৰাষ্ট্ৰ, ভীম, বিদুৰ, দ্ৰোণ, কৃপাচাৰ্য্য বাহ্লিক, সোমদত্ত প্ৰমুখক প্ৰণামৰ অন্তত বাৰণাৱতপুৰলৈ বুলি ৰাওনা কৰিলে। পাণ্ডৱসকলক আগবঢ়াবলৈ অহা একমাত্ৰ বিদুৰৰ বাহিৰে আন সকলোটিয়েই গুচি গ'ল।

বিদুৰে ধৰ্মৰাজ যুদিষ্ঠিৰক একাষৰীয়াকৈ মাতি নিলে আৰু ক'লে, "বাৰণাৱতপুৰত তোমালোকৰ থকা-মেলাৰ বাবে লা-ৰে এটা অট্টালিকা নিৰ্মাণ কৰা হৈছে। তোমালোকৰ সৈতে তোমালোকৰ মহাশত্ৰু এটাও তাতেই থাকিব। তাৰ পাছত—সেই শত্ৰুৱে সেই লাক্ষাগৃহত জুই লগাই তাৰপৰা পলাই যাব। পিছে—তোমালোক নিডৰ হৈ থকা কিয়নো সেই লাক্ষানিৰ্মিত জতুগৃহৰপৰা কোনেও নেদেখাকৈ ওলাই যাবলৈ এটা সুড়ংগ খান্দি উলিউৱা হ'ব, যিটো সুড়ংগৰ মাজেদি অটব্য অৰণ্যলৈ ওলাব পৰা হ'ব। কিন্তু সেই লা-ৰে সজোৱা জতুগৃহত থাকিবলৈ অমান্তি নহ'বা।" এইবোৰ কথা বুজাই কোৱাৰ অন্তত বিদুৰে পাণ্ডুৱসকলক বিদায় দিলে।

ফাল্গুণ শুদ্ধ অষ্টমীত ৰোহিণীনক্ষত্ৰৰ দিনা পাণ্ডৱসকল সেই বাৰণাৱতপুৰ পালেগৈ। তেওঁলোকৰ আগমন-কথা আগতে সেই ঠাইৰ অধিবাসীসকলে জ্ঞাত হৈছিল। ভাট ব্ৰাহ্মণ প্ৰমুখই বিবিধ বাদ্য-ভাণ্ড সহযোগে তেওঁলোকলৈ আদৰণি



জনাইছিল, সমগ্ৰ ঠাই ফুলেৰে আৰু আলোকমালাৰে সুসজ্জিত কৰিছিল।

বাৰণাৱতপুৰ পোৱাৰ পাছত পাণ্ডৱসকলে সেই অঞ্চলৰ ব্ৰাহ্মণ, বৈশ্য তথা শূদ্ৰইঁতৰ গৃহলৈকো গৈছিল আৰু মিষ্টান্ন বিতৰণ কৰিছিল। পুৰোচনে পাণ্ডৱসকলক তেওঁৰ গৃহলৈ আদৰিছিল, আৰু ভোজ খুৱাইছিল।

এইদৰে, দহ দিন অতিবাহিত হোৱাৰ অন্তত পুৰোচনে পাণ্ডৱসকলক ক'লে, "মহোদয়, আপোনাসৰৰ কাৰণে নতুন গৃহ সজোৱা হ'ল। এতিয়াৰ আপোনালোকে সেই নৱ-সজ্জিত অদ্বিতীয় গৃহত থাকিবগৈ পাৰে।" লগতে এই নতুনকৈ সজোৱা গৃহৰ প্ৰশংসাও কৰিলে।

এই গৃহৰ বিষয়ে ধৰ্মৰাজে আগতীয়াকৈয়েই জানিছিল, সেইহে তেওঁ অতি আগ্ৰহৰে পুৰোচনৰ প্ৰশংসা শুনাৰ ভাও জুৰিলে আৰু তাৰ পাছত মাতৃ আৰু ভ্ৰাতৃসকলৰে সৈতে সেই অদ্বিতীয় গৃহলৈ প্ৰৱেশ কৰিলে।

আৰু তাৰ পাছত ধৰ্মৰাজ যুধিষ্ঠিৰে বিদুৰে কোৱা কথাখিনি ভীমক বুজাই ক'লে। তেওঁ ক'লে, "ভীম, এই গৃহ যে ক্ষণমাত্ৰতে দগ্ধ হ'ব, সেই কথা ধ্ৰুৱ। এই পুৰোচনে আমাক পুৰি মাৰিবলৈহে এই আয়োজন কৰিছে। গতিকে এই বিষয়ে সতৰ্ক হ'ব লাগে।"

তেতিয়া ভীমে ক'লে, "আমি তেন্তে এই গৃহত নাথাকোঁ, য'ত আছিলোঁ তাতে অমি থাকিমগৈ।"

"তেতিয়া আমি ভুল কৰিম। আমাক যদি এই গৃহত জুই লগাই পুৰি মাৰিব নোৱাৰে, তেতিয়া পুৰোচনে আমাক বধিবলৈ আন উপায় ল'ব, কৌৰৱে, আমাৰ পিছ নেৰিব। তাতকৈ, আমি এই গৃহতে পুৰি মৰিলোঁ বুলি প্ৰচাৰিত হ'লেহে সকলোফালৰপৰা ভাল হ'ব।—এই গৃহৰ পিছৰফালে আছে মহাৰণ্য। আমি

চিকাৰৰ ছলেৰে সেই অৰণ্য চলথ কৰি চাই থাকিম এদিন।" ধৰ্মবাজে তেওঁৰ পৰিকল্পনাৰ কথা ভীমক ক'লে।

আৰু ভবামতেই কামও কৰিলে। চিকাৰ কৰাৰ ছলেৰে অৰণ্যৰ ক'ত কি আছে তন্ন তন্নকৈ চালেগৈ। আৰু তাৰ পাছত অতি সাৱধানতাৰে সেই জতুগৃহতে থাকিবলৈ ধৰিলে।

ইতিমধ্যে বিদুৰে সুড়ংগ খান্দিবলৈ এজন নিপুণ মানুহক বিচাৰি আনিলে আৰু সকলো গুপ্ত কথা ব্যক্ত কৰিলে, আৰু এইবোৰ কথা কাকো নক'বলৈ টানি ক'লে। বিদুৰে এই সুড়ংগ-বিশাৰদ মানুহজনক সেই বাৰণাৱতপুৰলৈ গুপ্তভাবে প্ৰেৰণ কৰিলে।

এই মানুহজনে পাণ্ডৱসকলক ক'লেগৈ বিদুৰে তেওঁক ইয়ালৈ পঠোৱাৰ কথা। মানুহজনে আৰু ক'লে যে ঠিক কৃষ্ণচতুৰ্দশীৰ নিশা এই জতুগৃহত জুই দিয়া হ'ব আৰু তাৰ আগতেই এই গৃহৰপৰা ওলাবপৰাকৈ সুড়ংগ খান্দি উলিয়াব লাগিব।

পাণ্ডৱে এই মানুহজনক সুড়ংগ খন্দাৰ অনুমতি প্ৰদান কৰিলে আৰু তেওঁ অতি দক্ষতাৰে আৰু অতি কম সময়ৰ ভিতৰতে প্ৰকাণ্ড এটা সুড়ংগ খান্দি উলিয়ালে।



পাণ্ডৱসকলে একো নজনাৰ ভাও ভালকৈয়েই দিছিল আৰু পুৰোচনৰ মনতো কোনো প্ৰকাৰৰ সন্দেহ সৃষ্টি হোৱা নাছিল। পুৰোচনে ভাবিছিল যে বিনা বাধাৰেই তেওঁ তেওঁৰ কৰিবলগা কাম সিজ্জাব পাৰিব।

অৱশেষত সেই কৃষ্ণচতুৰ্দশীৰ দিনটো সমুপস্থিত হ'ল। সেই দিনা কুন্তীয়ে ব্ৰাহ্মণ-ব্ৰাহ্মণীসকলক ভোজেৰে আপ্যায়িত কৰিলে। ভোজৰ কাম-বন কৰাৰ বাবে পুৰোচনে সেই অৰণ্যৰ এজনী বনজন-তিৰোতাক আৰু তাইৰ পঞ্চপুত্ৰকো আনি দিছিল, আৰু ভোজৰ অন্তত সিহঁতে

আকণ্ঠ সুৰা পান কৰি ৰাতি তাতেই শুই টোপনিত লাল-কাল দিছিল।

মাজনিশা ভীম গ'ল পুৰোচনৰ কক্ষলৈ। পুৰোচন তেতিয়া নিদ্ৰাত। ভীমে পুৰোচনৰ কক্ষত জুই লগাই দিলে তৎক্ষণাৎ মাতৃ কুন্তী আৰু ভ্ৰাতৃহঁতকো সেই সুড়ংগপথেদি বিপদৰ ভঁৰাল জতুগৃহৰপৰা উলিয়াই দিলে।

আৰু তাৰ পাছতে, সমগ্ৰ জতুগৃহত জুই লগাই ভীমো সেই সুড়ংগ পথেদি জ্বলন্ত জতুগৃহ পৰিত্যাগ কৰি গুচি গ'ল। আৰু তাত থাকিল কেৱল অতিপাত সুৰাপানেৰে বেহুঁচ হৈ পৰা সেই বনজনতিৰোতা আৰু তাইৰ সেই পঞ্চপুত্ৰ।

সুড়ংগপথেদি ওলাই আহি, সেই মহাৰণ্যৰ মাজেদি গৈ গৈ, পাণ্ডৱসকলে গংগাৰ তীৰ পালেগৈ। তাত এখন নাও প্ৰস্তুত হৈয়েই আছিল। এই নাৱৰ বন্দবস্তও বিদুৰেই কৰি থৈছিল। নাৱৰীয়াই সামান্যমানো দ্বিধাগ্ৰস্ত নহৈ পাণ্ডৱসকলক নাৱেৰে সিপাৰলৈ লৈ গ'ল আৰু পুনৰ নাও লৈ ইপাৰলৈ আহি বিদুৰক বাতৰিটো দিবলৈ গ'ল।

তেতিয়ালৈকো ৰাতি পুৱা নাছিল, নক্ষত্ৰালোকেৰেহে পাণ্ডৱসকলে বাট বুলিব পাৰিছিল। কিন্তু ভীমৰ বাহিৰে সকলোটিয়েই অতিপাত ক্লান্ত হৈ পৰিছিল, আৰু বনৰ কাঁইটীয়া জোপোহাৰ মাজেদি



খোজ দিবলৈকো টান পাইছিল। তেতিয়া ভীমে নিজৰ কান্ধত মাতৃ কুন্তীক আৰু আন চাৰিজন পাণ্ডৱকো বহুৱাই ল'লে।

ভীমে ক'লে, "ইয়াতে শুই জিৰণি লোৱা. মই এতিয়া পানী আনিবলৈ যাওঁ।" এই বুলি কৈ, মাতৃক আৰু ভ্ৰাতৃসকলক তাত থকা এজোপা বৰবৃক্ষৰ তলত এৰি থৈ ভীম গ'লগৈ।

বাট কুৰি বাই বাই কিছুদূৰলৈ যোৱাৰ অন্তত, ভীমে জল-পক্ষীৰ কাকলি শুনি সেই দিশলৈ গৈ গৈ এটা প্ৰকাণ্ড সৰোবৰ দেখা পালে। ভীমে সেই সৰোবৰৰ সুশীতল জলত স্নান কৰিলে আৰু পানী কঢ়িয়াই লৈ পুনৰ এজোপা বৰবৃক্ষৰ তল পালেহি। তেতিয়া তাত সকলোটি গভীৰ নিদ্ৰামগ্ন।

ভীমে ভাবিলে: ইমান বিপদকালতো ইমান গভীৰ নিদ্ৰা এওঁলোকে দিব পাৰিছে। গতিকে — জগোৱাটো ঠিক নহ'ব। ভীম তাতেই জাগি বহি থাকিল।

*

বাৰণাৱতপুৰৰ অধিবাসীসকলে, আৰু আশ-কাষৰ বা দূৰৱৰ্তী অঞ্চলৰ অধিবাসীসকলেও জানিলে যে এই জতুগৃহত পঞ্চ-পাণ্ডৱ পুৰি ভস্ম হ'ল। তাত তেতিয়া মানুহৰ দলদোপ-হেন্দোলদোপ। তেতিয়ালৈকো। ধিমিক-ধামাককৈ জুই জ্বলি আছিল। সুড়ংগ-খন্দা মানুহজনে জুই নুমাবৰ ছলেৰে সুড়ংগৰ প্ৰবেশদ্বাৰ নিশ্চিহ্ন

কৰি পেলাইছিল। পুৰোচন, সেই বনজন তিৰোতা আৰু তাইৰ সেই পঞ্চ পুত্ৰৰ মাত্ৰ হাড়কিডালিহে তাত আছিলগৈ।

*

হস্তিনাপুৰ তেতিয়া কপট শোকেৰে ম্ৰিয়মান। কুন্তীৰে সৈতে পঞ্চপাণ্ডৱ পুৰি মৰাৰ বাতৰি পোৱামাত্ৰেই ধৃতৰাষ্ট্ৰ অচেতন হৈ পৰিছিল।

বিদুৰেও কপটাশ্ৰু বিসৰ্জিছিল। কিয়নো—নহ'লে তেওঁৰ ওপৰত সন্দেহ হোৱাৰ সম্ভাৱনা আছিল।

কৌৰৱহঁতৰ যদিও মনত পাৰ-কুল ওপোচা আনন্দ, ভায়েকহঁত যদিও দুৰ্য্যোধনৰ প্ৰসংসাত পঞ্চমুখ, দুৰ্য্যোধনৰ পৰিকল্পনা সম্পূৰ্ণ সফল হোৱাত যদিও সিহঁতৰ প্ৰাণত কুলাই-পাচিয়ে নধৰা সুখ নহয়—সুখ, যদিও নিজৰ গৌৰৱেৰে দুৰ্য্যোধন নিজে নিজেই ফুলি ঢোল, এতিয়া সৰ্বময় ৰজা হোৱাৰ সপোনত যদিও বিভোল, তথাপি আনৰ সন্দেহৰ উৰ্দ্ধত থাকিবলৈ কপট শোক কৰা হ'ল।

কপটী কৌৰৱহঁতে চকুৰ পানী বুকু খালিয়ায়েই বৰষিলে, আৰু পাণ্ডৱসকলৰ সহস্ৰ গুণগানেৰে আকাশ-বতাহ মুখৰ কৰি তুলিলে। কৌৰৱহঁতে পাণ্ডৱসকলৰ কথা কৈ কৈ ইমান অযিকতকৈয়ো অধিকভাবে শোক প্ৰকাশ কৰিলে, যি শোকৰ প্ৰকৃত বৰ্ণনা প্ৰকৃততেই দিয়া টান।

পাণ্ডৱসকল যি বনত জিৰণি লৈ আছিল, সেই বনত হিড়িম্ব নামৰ এটা বিৰাট আৰু ভয়ানক ৰাক্ষস আছিল। ই আছিল নৰভক্ষক, যদিও যি পাইছিল যা পাইছিল তাকে খাইছিল।

হিড়িম্ব বৰ ক্ষুধাতুৰ হৈ আছিল আৰু সেইবাবে কিবা পায়নে কি ক'ৰবাত—চাই আছিল চাৰিওফালে।

হঠাৎ বৰগছজোপাৰ তললৈ তাৰ চকু পৰিল, আৰু সি তাৰ ভনীয়েক হিড়িম্বাক মাতিলে আৰু ক'লে, "ভনীটি, বহু দিনৰ

অন্তত মানুহৰ গোন্ধ পাইছোঁ। তুৰন্তে যা, আৰু সিহঁতক মাৰি লৈ আহগৈ. পেট পুৰাই খাই আমি নাচি থাকিম।"

হিড়িম্বা সেই বৰজোপাৰ ওচৰ চাপিল। পাণ্ডৱসকল তেতিয়াও নিদ্ৰামগ্ন, কেৱল ভীমে পৰ দি বহি আছিল।

ভীমক দেখামাত্ৰেই হিড়িম্বাৰ মনত চলকটো উঠিল। কিবা যেন পিৰপিৰণি-হেন বোধ কৰিলে তাই। তাইৰ জীৱনত এই ভাব এয়ে প্ৰথম। ভীমৰ অপূৰ্ব গঠনৰ বলশালী দেহলৈ, তেওঁৰ সুগম্ভীৰ-সুগঠিত মুখমণ্ডললৈ আপোন-পাহৰা হৈ হিড়িম্বাই কিছু আঁতৰত থকা আন এজোপা বিৰাট গছৰ আঁৰৰপৰা চাই থাকিল···চায়েই থাকিল·····। ইমান সুন্দৰ-সুঠাম মনুষ্য তাই কোনোকালেও আগে দেখা তাইৰ মনত নপৰে। তাই ভাবিলে: যদি ইয়াক কেনেবাকৈ জীৱন-লগৰীৰূপে পাওঁ, কেতিয়াও আৰু মানুহ মাৰি নাখাওঁ। এনেহেন মানুহৰ পত্নী হোৱাতকৈ বঢ়া ভাগ্য আৰুনো কি? যি হওক—যা হওক ইয়াক লাগেই।

তাই তৎক্ষণাৎ তাইৰ ৰাক্ষসীৰূপ গুচাই এজনী সুন্দৰী মানুহৰ ছোৱালীৰ ৰূপ ল'লে আৰু মুখত হাঁহিৰ টো তুলি ভীমক নমস্কাৰ কৰিলে।

পাচ মুহূৰ্ততে তাই ভীমক ক'লে "হে সজ্জন, তুমিনো কোন? আৰু এই নিদ্ৰিত সকলেইবা কোন? এই বৃদ্ধা কোন? এই অটব্য অৰণ্যত যে হিড়িম্ব ৰাক্ষসৰ বাস—তুমি, বা তোমালোকে নাজানানে? সি হ'ল যে হিড়িম্ব ৰাক্ষস। মই তোমাৰ প্ৰেমমুগ্ধ হোৱাত আজি তোমালোক মৃত্যুৰ হাত সাৰিলা। মোক যদি তুমি বিবাহ কৰি ধৰ্মপত্নীৰূপে গ্ৰহণ কৰাঁ, মই তোমালোকক এক সুৰক্ষিত স্থানলৈ লৈ যাম, যি স্থানত তোমালোকে সুখেৰে জীৱন যাপিব পাৰিবা।"

[আগলৈ

তেঁতেলী

যোৱা মাহত এই পাতত নিমৰ প্ৰসংগত তেঁতেলীৰ কথাও ওলাইছিল। এটি কাহিনীৰ যোগেদি কোৱা হৈছিল যে তেঁতেলীয়ে শৰীৰ-স্বাস্থ্য বেয়া কৰে, আৰু নিমে তেঁতেলীয়ে বেয়া কৰা স্বাস্থ্য ভাল কৰি তোলে। যি কি নহওক, কেইবাশ বছৰৰ আগতে বংগদেশৰ শ্ৰীচৈতন্য মহাপ্ৰভুদেৱে বৃন্দাবনলৈ বুলি তীৰ্থযাত্ৰালৈ বহিৰ্গত হৈ, গৈ গৈ বৃন্দাবনতে এজোপা বিৰাট তেঁতেলীৰ তলত বহি জিৰণি লৈছিল। তেতিয়াৰপৰা সেই ঠাইডোখৰৰে নাম হ'ল—'তেঁতুল তলা'। তেওঁ শ্ৰীকৃষ্ণই গাভীচৰোৱা ঠাই এডোখৰকে জিৰণি ল'বৰ বাবে বাছি লৈছিল। চৈতন্যদেৱে তাত জিৰণি লোৱাত ঠাইডোখৰ, অৰ্থাৎ সেই 'তেঁতুলতলা' পবিত্ৰ ঠাই ৰূপে গণ্য। বহুতে ভাবে, সেই তেঁতেলীজোপা অদ্যাপি বিদ্যমান।

তেঁতেলী গছ দীৰ্ঘজীৱি। তেঁতেলীৰ পাত অতি সৰু কিন্তু ডাঠ, কেঁচা অৱস্থাত ডাঠ সেউজীয়া পাতবোৰ। এপ্ৰিলৰপৰা জুনমাহৰ ভিতৰত তেঁতেলীৰ ফুল ফুলে আৰু তেতিয়া মিঠা মিঠা গোন্ধ ওলায়। তেঁতেলীৰ ফলবোৰ দীঘলীয়া। অলপ বেঁকা, প্ৰথমতে সেউজবিধৰ, আৰু পাছত ঈষৎ কপিলা বৰণ হয়। তেঁতেলীৰ ফলৰ চোকোবা বৰ ঠুনুকা। ফলবোৰ খোৱাত সোৱাদ, কিন্তু কেতিয়াবা বৰ টেঙা হয়। তেঁতেলীৰ ফলৰ কোমল শাহ শিশুৰপৰা বুঢ়া-হেৰা—সকলোটিয়েই ভাল পায়। তেঁতেলীৰে আচাৰ, চাটনি আদি হয়, কিছু ঠাইত তেঁতেলীৰ শাহৰ চৰবৎ তেনেই প্ৰিয় পানীয়। তেঁতেলীৰ ঔষধিগুণো আছে যথেষ্ট আৰু বিশেষকৈ আয়ুৰ্বেদীয় ঔষধত তেঁতেলীৰ যথেষ্ট পৰিমাণ ব্যৱহাৰ।

তেঁতেলী গছৰ কাঠ অতি নমনীয়, আচবাব-পাত্ৰৰ পক্ষে উৎকৃষ্ট, গৰুৰ গাড়ীৰ চকা, কাঠৰ হাতুৰী আদিতো বহুল ব্যৱহৃত। তেঁতেলী ভাৰতৰ সকলোতে বহুলভাৱে পৰিলক্ষিত হয়। হিন্দীত 'ইম্‌লি' বা 'আম্‌লি', মাৰাঠীত 'আম্‌লি', তেলুগুত 'চিন্‌তা' তামিলত আৰু মালয়ালমত 'পুলি' আৰু ইংৰাজিত 'ট্যামাৰিন্‌ড্‌' বুলি কোৱা হ'য়।

ভাৰতৰ ঋষিকুল—১

বশিষ্ঠ

ভাৰতীয় সভ্যতা-সংস্কৃতি-সাহিত্য আদি পথিকৃৎ কোনসকল? এই প্ৰশ্নৰ উত্তৰ মাত্ৰ একেটাই: ভাৰতৰ ঋষিসকল।

ঋষিসকল আছিল জ্ঞানৰ সাধক। তেওঁলোকে জ্ঞান আহৰণ কৰি সেই জ্ঞান কেৱল নিজৰ মাজতে আৱদ্ধ নাৰাখিছিল, আনকো শিক্ষাদান কৰিছিল। নিঃসন্দেহে, ভাৰতবৰ্ষৰ সুপ্ৰাচীন শিক্ষাগুৰু আছিল ঋষিসকলেই। তেওঁলোকে ৰাজপুত্ৰহঁতৰ আৰু অতি সাধাৰণ মানুহৰো আছিল শিক্ষাগুৰু। তেওঁলোকৰ ছাত্ৰসকল তেওঁলোকৰে সৈতেই তেওঁলোকৰ আশ্ৰমত থাকিছিল, যিবোৰ আশ্ৰমক 'গুৰুকুল' বুলি অভিহিত কৰা হৈছিল।

ভাৰতৰ প্ৰাথমিক যুগৰ কবি বাল্মীকি, ব্যাস প্ৰমুখো আছিল ঋষি। সেইযুগৰে অন্যতম আছিল বশিষ্ঠ। তেওঁ জ্ঞানমাৰ্গৰ যোগেদি অলৌকিক শক্তি আয়ত্ত কৰিছিল; কিন্তু তেওঁ সেই শক্তি সাধাৰণভাবে ব্যৱহাৰ নকৰিছিল।

এদিন ৰজা বিশ্বামিত্ৰ চিকাৰলৈ ওলাই বশিষ্ঠ বসবাস কৰা অৰণ্যলৈ গ'ল। বহু সময়ৰ অন্তত তেওঁ যেতিয়া শ্ৰান্ত-ক্লান্ত হৈ পৰিল, তেতিয়া তেওঁৰ অনুচৰ এজনে বশিষ্ঠৰ আশ্ৰমৰ কথা ৰজাক ক'লে, আৰু তেওঁলোক তালৈ গ'ল।

বশিষ্ঠই ৰজা বিশ্বামিত্ৰক যথোচিতভাবে আদৰিলে আৰু তেওঁলোকক স্নান কৰি আহিবলৈ অনুৰোধ কৰিলে।

আশ্ৰমৰ কাষেদি বৈ যোৱা নৈৰ শীতল পানীত স্নানাদিৰ অন্তত ৰজা বিশ্বামিত্ৰ যেতিয়া তেওঁৰ অনুচৰহঁতৰ সৈতে পুনৰ আশ্ৰমলৈ আহিল, তেতিয়া তেওঁলোকে তেওঁলোকৰ বাবে ভোজনৰ আয়োজন দেখি অবাক হৈ পৰিল। বনবাসী ঋষি এগৰাকীয়ে কেনেকৈনে ইমান মানুহৰ কাৰণে আহাৰৰ আয়োজন কৰিলে?

ৰজা বিশ্বামিত্ৰৰ প্ৰশ্নৰ উত্তৰত ঋষি বশিষ্ঠই ক'লে, "মোৰ এজনী কামধেনু আছে। মোক যেতিয়াই যি লাগে, সেই কামধেনুজনীয়ে মোক দিয়ে।"

নিৰৰে-নিমাতে আহাৰৰ অন্তত যেতিয়া বিদায় লোৱাৰ সময় হ'ল, তেতিয়া ৰজা বিশ্বামিত্ৰই কামধেনুজনীক বশিষ্ঠ-ঋষিৰ-পৰা উপহাৰৰূপে খোজাত ঋষি বশিষ্ঠই ৰজা বিশ্বামিত্ৰক ক'লে, যে কামধেনুজনীক কাৰোবাক দান কৰাৰ অধিকাৰ তেওঁৰ নাই, কিয়নো কামধেনুজনী স্বইচ্ছাই আহিছে, স্বইচ্ছাই এদিন হয়তো যাবগৈ।

ঋষি এজনে ৰজাৰ অনুৰোধ উপেক্ষা কৰাত ৰজা বিশ্বামিত্ৰই ক্ৰোধিত হ'ল আৰু বলেৰে কামধেনুজনীক লৈ যাবলৈ তেওঁৰ অনুচৰহঁতক ক'লে। তেওঁলোকে এই চেষ্টা কৰাত কামধনুজনীয়ে ভয়ংকৰ দৃষ্টিৰে ৰজা বিশ্বামিত্ৰলৈ চালে আৰু কামধেনুৰ দেহৰপৰা বহু সংখ্যক যোদ্ধা ওলাই আহি বিশ্বামিত্ৰৰ সশস্ত্ৰ অনুচৰহঁতক আৰু বিশ্বামিত্ৰকো পৰাজিত কৰিলে।

সেইদিনা এই কথা প্ৰমাণিত হ'ল যে দৈহিক শক্তিতকৈ আধ্যাত্মিক শক্তি বহুগুণে শক্তিশালী এই কথা উপলব্ধি কৰি ৰজা বিশ্বামিত্ৰয়ো আধ্যাত্মিক শক্তি আয়ত্ত কৰিবলৈ কঠোৰ তপস্যা কৰিলে, কালক্ৰমে ৰজা বিশ্বামিত্ৰও ব্ৰহ্মৰ্ষি হ'ল।

কিন্তু ঋষি বশিষ্ঠই বিশ্বামিত্ৰক ব্ৰহ্মৰ্ষিৰূপে স্বীকাৰ নকৰাত বিশ্বামিত্ৰই (জনশ্ৰুতি অনুসাৰে) বশিষ্ঠক হত্যা কৰাৰ বাবে তেওঁৰ আশ্ৰমলৈ গৈ— আশ্ৰমৰ বাহিৰত থিয় হৈ বশিষ্ঠৰ পত্নী অৰুন্ধতীয়ে পতি বশিষ্ঠক কোৱা শুনিলে, "বিশ্বামিত্ৰক ব্ৰহ্মৰ্ষিৰূপে স্বীকাৰ নকৰে কিয়? তেতিয়া কোনো বিবাদ নাথাকে।"

বশিষ্ঠই পত্নীক ক'লে, "বিশ্বামিত্ৰই আৰু অধিক জ্ঞান আয়ত্ত কৰিলেহে প্ৰকৃততে ব্ৰহ্মৰ্ষি হ'ব। তেওঁ ব্ৰহ্মৰ্ষিত্ব আয়ত্ত কৰিলে মই আনন্দ লভিম।"

শুনা মাত্ৰেই বিশ্বামিত্ৰ বশিষ্ঠৰ চৰণত পৰিল, আৰু ক্ষমা ভিক্ষা কৰিলে।

আমাৰ আকাশত থকা সপ্তৰ্ষি নক্ষত্ৰ-মণ্ডলীৰ অন্যতম এটি নক্ষত্ৰৰ নাম হ'ল বশিষ্ঠ, আৰু কিছু আঁতৰত থকা সৰু এটি তৰাক অৰুন্ধতী বুলি অভিহিত কৰা হয়।



জানিবলগীয়া

১. তাহানিৰ কম্বোদেশৰ ৰজা-ৰাণীক কি বুলি কোৱা হৈছিল ?
২. ১৯৪২ চনৰ ৯ আগস্ট ভাৰতৰ ইতিহাসত উল্লেখযোগ্য দিন কিয় ?
৩. ছুৱেজ খাল কেতিয়া উন্মুক্ত হৈছিল ?
৪. ভাৰতৰ প্ৰথম ৰেলআলিয়ে সংযুক্ত কৰা ৰেল ষ্টেশ্বন দুখনৰ নাম কি ?
৫. ১২ বছৰৰ বাদে বাদে ভাৰতত এক ডাঙৰ উৎসৱ অনুষ্ঠিত হয়। নাম কি ?
৬. পৃথিৱীৰ আটাইতকৈ ডাঙৰ দ্বীপ ?
৭. ভাৰতৰ প্ৰথম টেষ্ট ক্ৰিকেট টেষ্টম্যাচৰ অধিনায়কৰ নাম ?
৮. পৃথিৱীৰ শীতলতম স্থানৰ নাম ?
৯. অ'লিম্পিকত ভাৰতৰ প্ৰথম সোণৰ বঁটা কোনে কেতিয়া পাইছিল ?
১০. প্ৰথম ইলেকট্ৰিক মোটৰ কোনে নিৰ্মাণ কৰিছিল ?
১১. 'উদিত সূৰ্য্যৰ দেশ' বুলি কোনখন দেশক কোৱা হয় ?
১২. এসময়ত আজিৰ নিউইৰ্ক ডাচ্ উপনিবেশ আছিল। তেতিয়া কি নামেৰে জানাজাত আছিল ?
১৩. চীনদেশৰ প্ৰথম সম্ৰাট কোন আছিল ?
১৪. এগৰাকী আমেৰিকীয় নিগ্ৰো মানুহে ন'বেল শান্তি-বঁটা পাইছিল। তেওঁৰ নাম কি ?
১৫. এভাৰেষ্টৰ টিংলৈ উঠা প্ৰথম মহিলাৰ নাম ? কেতিয়া উঠিছিল তেওঁ ?

জানক

১. জাৰ্, আৰু জাৰিনা।
২. 'ভাৰত এৰা' অৰ্থাৎ 'কুাৱিট ইণ্ডিয়া' আন্দোলনৰ তাৰিখ।
৩. ১৮৬৯ চনত।
৪. বম্বে আৰু ঠাঁড়ে (থানে), ১৮৫৩ চনত।
৫. কুম্ভ মেলা।
৬. গ্ৰিণল্যাণ্ড—২৮:৫৬০০ স্কোয়েৰাৰ কি. মি.
৭. চি. কে. নায়ুডু।
৮. অ্যান্টাৰ্কটিকাৰ ভস্তক স্টেশ্বন ; এবাৰ টেম্পাৰেচাৰ –৮৭.৬ ছেলছিয়াচ।
৯. ১৯০০ চনত. পাৰী (পেৰিছ) অ'লিম্পিকত নৰম্যান প্ৰিচাৰ্ডে, (ইংৰাজ,) ভাৰতৰ প্ৰতিনিধিত্ব কৰিছিল।
১০. মাইকেল ফ্যাৰাডে।
১১. জাপান।
১২. নিউ আমস্টাৰ্ডম, হল্যাণ্ডৰ ৰাজধানী।
১৩. কুবলাই খান, জেংগিজ বা চেংগিছ খানৰ নাতিয়েক।
১৪. মাৰ্টিন লুথাৰ কিং (জুনিয়াৰ)।
১৫. জাপানৰ জাংকো তাবেঈ। ১৯৭৫ চনত।

বিৰংগী-সমস্যা

ৰংগনাথপুৰত বিৰংগ নামৰ এজন বেপাৰী আছিল। তেওঁৰ দুজন ল'ৰা, ল'ৰা দুয়োজনেই ভাল ; কিন্তু বেপাৰৰ নামেই সিহঁতৰ কাল। দুয়োজনৰে কথা হ'ল—সিহঁত বেহা-বেপাৰত নাই, সিহঁতে যিমান পাৰিব পঢ়িব আৰু পণ্ডিত হ'ব। বিৰংগই দুয়োকো বহুত বুজালে, কিন্তু সিহঁতে সেও নামানিলে।

বিৰংগৰ ডাঙৰ ল'ৰা শ্ৰীৰংগই লিখা-পঢ়াত চোকাৰো চোকা। যি পঢ়ে, যি শুনে, এবাৰতে মুখস্থ হৈ যায়, ভুলতো নাপাহৰে।

সৰু নৰৰংগও ডাঙৰ পণ্ডিত হোৱাৰ সপোন দেখা ল'ৰা। সি অভিধানৰ সহায়তাৰে কঠিনৰো কঠিন বিষয়বস্তু অধ্যয়ন কৰি ভাল পায়, জটিল বিষয়ক সৰল কৰিব পাৰি আনন্দিত হয়।

এদিন সিহঁতৰ ঘৰলৈ গুৰু বৃহস্পতি আহিল। তেওঁ বিৰংগহঁতৰ গাঁৱৰে এচুকত আশ্ৰম পাতি বাস কৰে। কেতিয়াবাহে ওলায়, ওলালেই বিৰংগহঁতৰ ঘৰলৈ আহে।

বিৰংগই বৃহস্পতি গুৰুক তেওঁৰ সমস্যাৰ কথা ক'লে। ক'লে যে—তেওঁৰ ল'ৰাহঁতৰ মাজত এজনেও বেপাৰৰ কাষেদিও নাযায়। বিৰংগই গুৰু বৃহস্পতিক অনুৰোধ কৰিলে ল'ৰাহঁতক বুজাবলৈ। কমেও এজন বেপাৰী হওক, নহ'লে তেওঁৰ ইমান ডাঙৰ ব্যৱসায় নষ্ট হৈ যাব।

বৃহস্পতি গুৰুৱে বিৰংগৰ অনুৰোধ মতে প্ৰথমতে শ্ৰীৰংগক মতাই অনালে আৰু সুধিলে, "বোপা, তুমি এতিয়ালৈকে কি কি গ্ৰন্থ অধ্যয়ন কৰিছা ক'বানে ?"

বিনীতা চক্ৰৱৰ্তী



শ্ৰীৰংগই গুৰু বৃহস্পতিৰ প্ৰশ্নৰ উত্তৰত একেলেথাৰিয়ে কৈ গ'ল সি পাঠ কৰা গ্ৰন্থবোৰৰ নাম।

তাৰ পাছত গুৰুৱে নৰৰংগক মাতাই অনালে আৰু কিছুমান প্ৰশ্ন কৰিলে। কিন্তু নৰৰংগই বিশেষ একো ক'ব নোৱাৰিলে, যদিও সি-ও যথেষ্ট গ্ৰন্থ পাঠ কৰিছিল, তথাপি সি ডিঙি মেলি কোৱাত কুণ্ঠিত যেন হ'ল। সি ক'লে যে, সি কোনো গ্ৰন্থৰপৰা তাৰ আৱশ্যকীয় বিষয়-বস্তুখিনিহে সি পাঠ কৰে, আৰু তাতোকৈ ডাঙৰ কথা হ'ল যে—সি বৰ দ'কৈ বুজিও নাপায় সকলো বিষয়, যদিও চেষ্টা কৰে।

"তাৰ মানে—তোমাৰ জ্ঞান—কোনো বিষয়তে সম্পূৰ্ণ নহয়।" গুৰুৱে ক'লে।

"হে গুৰু, মই জানো, মোৰ স্মৰণশক্তি অতি কম। আৰু যিবোৰ বিষয়ৰ প্ৰতি মোৰ আকৰ্ষণ, তাৰ বাহিৰে একোৱে পঢ়াৰ মনও মোৰ নাযায়।" নৰৰংগই গুৰু বৃহস্পতিক ক'লে।

পাছত গুৰু বৃহস্পতিয়ে বিৰংগক ক'লে, "তোমাৰ ডাঙৰ ল'ৰাটি বেহা-বেপাৰ কৰাৰ যোগ্য আৰু সৰুটিয়ে—কালে কালে পাণ্ডিত্য আৰ্জিব পাৰিব যেন পাওঁ। মই দুয়োকো মোৰ আশ্ৰমলৈ লৈ যাম, আৰু কিছুদিনৰ পাছত দুয়োকো একেলগেই ওভোতাই পঠাম।"

বিৰংগই আচৰিত মানি ক'লে, "কিন্তু —এয়ানো আপুনি কি কৈছে —মই দেখোন একো বুজা নাই। শ্ৰীৰংগ—গ্ৰন্থ কণ্ঠস্থ কৰাৰ ক্ষমতা যাৰ আছে—সি হ'ব বেপাৰী, আৰু যাৰ এই ক্ষমতা নাই—সি হ'ব পণ্ডিত! আপুনি বোধকৰোঁ বাস্তৱতাক পৰিহাৰ কৰি কাল্পনিকতাকহে প্ৰশ্ৰয় দিছে।"

বৃহস্পতি গুৰুৱে মিচিকীয়াই হাঁহি মাৰি ক'লে, "কিহৰপৰা কি হয়—কি গছৰ গুটি খালে মানুহ মৰে-কালিলৈয়েই কিজানি গম পাই যাব। এটি কথা,

তোমাৰ মাৰাৰ সেই বিচিত্ৰ বেমাৰৰ দৰব যদি অদ্যাপি পোৱা নাই, মই আজি দিম।"

বিৰংগৰ মাকৰ এক বিচিত্ৰ বেমাৰ আছিল। মেকুৰী দেখিলেই তেওঁৰ মূৰত বিষ উঠিছিল, আৰু মেকুৰী গুচি যোৱামাত্ৰেই মূৰৰ বিষ নোহোৱা হৈছিল।

গুৰু বৃহস্পতিয়ে এখিলা তালপাতত কিবাকিবি লিখিলে আৰু বিৰংগক দিলে আৰু ক'লে, "এই পাতত তেওঁৰ বেমাৰৰ দৰব পাবা। তুমি ৰাতিৰ পৰতে ভালকৈ পঢ়িবা, আৰু কাইলৈ যেতিয়া তুমি মোৰ আশ্ৰমলৈ যাবা—তেতিয়া এই বিষয়ৰ বিশেষত্বৰ কথা মোক ক'বাগৈ। হোঁ—এই কথা তুমি কিন্তু ঘৰৰ আন কাকো ভুলে-পাহৰণেও নোকোৱা যেন।"

তাৰ পাছত তেওঁ শ্ৰীৰংগ আৰু নৰৰংগকো তুখন তালপতীয়া গ্ৰন্থ দিলে আৰু ক'লে, "বৈদ্যশাস্ত্ৰ-বিষয়ক যিতুখন গ্ৰন্থ মোৰ ওচৰত আছে, তোমালোকক দিলোঁ। আজি ৰাতিৰ ভিতৰতে সম্পূৰ্ণ অধ্যয়ন কৰি বুজিবলৈ চেষ্টা কৰিবা।"

পাছদিনা, আটাইকেজনেই গুৰু বৃহস্পতিৰ আশ্ৰমলৈ গ'ল। বিৰংগই ক'লে, "গুৰুদেৱ, মই তো সংস্কৃত বুজি নাপাওঁ। তালপাতত সংস্কৃত শ্লোকহে লিখা আছে।"

বৃহস্পতি গুৰুৱে শ্ৰীৰংগলৈ চালে। শ্ৰীৰংগই গৰ্বৰে বুকু ফিন্দাই ক'লে, "গ্ৰন্থত



থকা আটাইবোৰ শ্লোক মই মুখস্থ কৰি পেলালোঁ। যেইকোনো শ্লোক সুধিলেই কৈ দিব পাৰিম।"

বৃহস্পতিয়ে কিঞ্চিত পৰীক্ষা ল'লে আৰু তুষ্ট হৈ ক'লে, "ঠিক ঠিকেই—তুমি সকলো শ্লোক মুখস্থ কৰিলা এৰাতিতে ইমান অসাধ্য কাম কেনেকৈ সম্পন্ন কৰিলা, ভাবি আচৰিত মানিছোঁ। তুমি অসাধাৰণ বুদ্ধিমান।"

তাৰ পাছত তেওঁ নৰৰংগলৈ চালে।

নৰৰংগই তলমূৰ হৈ ক'লে, "আপোনাৰ প্ৰদত্ত গ্ৰন্থ বৰ কঠিন যেন পাইছোঁ। গতিকে—সেই গ্ৰন্থৰ বিষয়বস্তু সম্পূৰ্ণকৈ উদ্ধাৰ কৰাত মই টান পাইছোঁ, যদিও অভিধানৰ সহায়তাৰে আমাৰ আইতাৰ ৰোগ-সম্বন্ধীয় বিবৰণখিনি পৰিষ্কাৰভাবে উদ্ধাৰ কৰিব পাৰিছোঁ। তেওঁৰ বেমাৰৰ সেই দৰৱ আমাৰ বাৰীতে আছে, আৰু সেই দৰৱৰ নাম হ'ল—মৌলশিৰী ফুল।"

বৃহস্পতি গুৰুৱে মূৰ তুপিয়াই ক'লে যে—শ্ৰীৰংগৰ স্মৃতিশক্তি অতি প্ৰখৰ। আৰু—ব্যৱসায়ী এজনৰ পক্ষে এই বিধৰ স্মৃতিশক্তি অত্যন্ত সহায়ক। গতিকে—মই শ্ৰীৰংগক মোৰ ওচৰত ৰাখি বেপাৰ-বণিজৰ প্ৰশিক্ষণ দিম। অংকৰ—নৰৰংগ যে যোগ্য শিক্ষাৰে পণ্ডিত হ'ব—সেই কথাত মোৰ কণমাত্ৰো সন্দেহ নাই। তাক পণ্ডিত কৰি তোলাৰ দায়িত্ব মোৰ।"

তেতিয়াহে বিৰংগৰ জ্ঞানোদয় হ'ল। বিৰংগই কৈ উঠিল, "ঠিকেই কৈছে গুৰুদেৱ! শ্ৰীৰংগই কণ্ঠস্থ-কৰিব পাৰিলেও বিষয়বস্তুক সমূলি বুজি নাপায়। গতিকে—তাৰ পক্ষে পণ্ডিত হোৱা টান। কিন্তু তাৰ স্মৃতিশক্তিৰে সি ভাল বেপাৰী হ'ব পাৰিব বুলি মোৰো বিশ্বাস হৈছে।"

পাছত কথাটো শ্ৰীৰংগই নিজেও মানি লৈছিল, আৰু এইদৰে বিৰংগৰ বিৰংগী সমস্যাৰ সমাধান হৈছিল।

চোৰ-পঘা

মাছমৰীয়াহঁতৰ বস্তিত বাবুল আৰু বাবিনা নামৰ গিৰিয়েক-ঘৈণীয়েক এহালে ফস্তি মাৰি থাকিছিল। কিন্তু সিহঁতৰ মাজত খিতিং-খাতাং সদা-সৰ্বক্ষণেই জোৰ্‌ছে চলিছিল।

বাবুলে অন্যান্য মাছুৰৈৰ লগ লাগি সাগৰৰ বুকুত মাছ ধৰে‌ ধৰি আনি বজাৰত বেচে, বেচি যি পায় বাবিনাৰ হাতত দিয়ে, বাবিনাই হিচাপ কৰি খৰচ কৰে। বাবুল আচলতে হোজাবিধৰ মানুহ, সাগৰত মাছ ধৰাৰ আন একোৱেই নাজানে সি।

এই কথাত বাবিনাৰ বৰ চিন্তা হয় কেতিয়াবা, পাছত—যেতিয়া বুঢ়া হ'ব —তেতিয়া ইয়াৰ বাৰু কি হ'ব?

এদিন বাবুলৰ মন গ'ল মাছৰ খাৰ খাবলৈ। সেই কাৰণে সিদিনা সি চাৰিটা ভালৰো ভাল মাছ নেবেচিলে আৰু বাবিনাক দিলেহি বছা বছা মাছেৰে খাৰৰ আঞ্জা ৰান্ধিবলৈ।

বাবিনাই ক'লে যে মাছ চাৰিটা বেচিলে ঢেৰ পইচা।

কিন্তু হোজা বাবুলৰ গোঁজহেন জিদ, আজি সি এইকেটা মাছকে খাব আনকি নাকত খাৰ ঘঁহিলেও সি হেনো মাছৰ খাৰ খাবই আজি।

তেতিয়া বাবিনাই মাছকেইটা পুখুৰী-ৰপৰা ভালৰো ভালকৈ ধুই আনিবলৈ ক'লে বাবুলক।

পুখুৰীলৈ যাওঁতে বাটত বাবুলৰ সৈতে ৰামুৰ দেখাদেখি। ৰামুৱে বাবুলক সুধিলে, বোলোঁ হৈ বাবুল—"ক'লৈ যাৱ?"

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

"হাৰে — তাই ক'লে মাছ চাইটা পুখুৰীত ধুবলৈ, যাতে বেয়া গোন্ধ নাথাকে. গতিকে—" বাবুলে ক'লে।

"ঐ গৰু, পুখুৰীৰ পানীত ধুলেই কেঁচা মাছৰ বেয়া গোন্ধ গুচিবনে? মাছ নুশুকালে মাছ মাছ গোন্ধাবই। চা, মোৰ ওচ'ত চাইটা শুকান মাছ আছে। তোৰ মাছ চইটা মোক দে, মোৰ শুকান মাছকেটা তই নে।" ৰামুৱে ক'লে।

আৰু হোজা বাবলুৱে ৰামুৰ কথা মতে কাম কৰি, শুকান মাছ চাৰিটা লৈ ঘৰ পালেহি। আৰু তিমানতে ৰামু তাৰপৰা তুৰন্তে নোহোৱা হৈ পৰিল।

কথা হ'ল—সেই দিনা সিহঁতৰ সাগৰৰ ঘাটত এখন মাৰনাও আহিছিল বহুতো কিবাকিবি বস্তু লৈ। সেইবোৰ বস্তুৰপৰা ৰামুৱে অন্যান্য বস্তুৰ লগত এই মাছ চাৰিটাও চুৰ কৰিছিল। কিন্তু ধৰা পৰাৰ ভয়ত সি সেই শুকান মাছ কেটা বজাৰতো নেবেচিলে, দিলে বাবলুক।

জীয়া মাছৰ সলনি শুকান মাছ চাৰিটা পাই ৰাবিনাই ভুৰু কোঁচাই সুধিলে, "সেই জীয়া মাছকেইটা কি হ'ল—কাক দিলা?"

তেতিয়া বাবলুৱে ৰাবিনাক ৰামুৰ লগত হোৱা কথাখিনি বিচৰি ক'লে।

ৰাবিনাই ক'লে, "ঠিক আছে, এই ডাঙৰ শুকান মাছটোৰে তোমাক খাৰ-মাছ ৰান্ধি দিম, বাকী তিনিটা বজাৰলৈ লৈ যোৱা, বেচি যি পাবা আটাইখিনি পইচা তুৰন্তে মোক দিবাহি।

বাবলু যেতিয়া বজাৰলৈ গ'ল শুকান মাছ বেচিবলৈ তেতিয়া ৰাবিনাই সেই শুকান মাছটোৰ পেট ফালি এডোখৰ ডাঙৰ হীৰা পালে।

মাৰনাওত থকা বণিজাৰহঁতে শুকান মাছৰ পেটত ভৰাই লুকাই-চুৰকৈ হীৰা লৈ আহিছিল। কিন্তু পাছত গন্তি কৰি চাৰিটা মাছ কম হোৱাত বণিজাৰহঁতে

ৰজাক গোচৰ দিলে আৰু দেশৰ ৰজাই তৎক্ষণাৎ প্ৰহৰীহঁতক হুকুম দিলে মাছ-চোৰক যেনেতেনে ধৰি আনিবলৈ।

প্ৰহৰীহঁতে বজাৰৰ বাটত বাবলুৰ ওচৰত শুকান মাছ তিনিটা পাই বাবলুক ধৰি লৈ আহিল। বণিজাৰহঁতে সিহঁতৰ মাছকেইটা চিনি পালে আৰু মহৰাজক ক'লে, "এই মাছ আমাৰ মাছ, মহাৰাজ। মাছকেইটাৰ পেট ফালিলেই হীৰা ওলাব, আৰু হে মহামান্য মহাৰাজ, তেতিয়াই আপুনি আমাৰ কথাখিনিৰ সঁচা -মিছাৰ সাঁচকাট প্ৰমাণ পাব।"

মহাৰাজৰ প্ৰশ্নৰ উত্তৰ হোজা বাবলুৱে নিজক নিৰ্দোষী বুলি কৈ, ৰামুৰ সেই মাছৰ সলন-সলনিৰ বৃত্তান্ত মহাৰাজক ভাঙি-পাতিয়েই ক'লে।

মহাৰাজৰ হুকুমত প্ৰহৰীহঁত পুনৰ ওলাল আৰু সেই ৰামুক ধৰি লৈ আহিল। ইতিমধ্যে গিৰিয়েকক ৰজাৰ প্ৰহৰীহঁতে ধৰি লৈ যোৱাৰ খবৰ পাই বাবিনাও ৰাজসভা তথা বিচাৰসভালৈ আহিছিল, আৰু বাবিনাই নিডৰে নিৰ্ভয়ে মহাৰাজক সকলো কথা সবিস্তাৰে কৈছিল।

মহাৰাজৰ প্ৰশ্নৰ উত্তৰত ৰামুৱে শুকান মাছকেইটা তাৰ বুলি স্বীকাৰ নকৰাত মহাৰাজে বাবলুক ক'লে, "তেনেহ'লে শুকান মাছৰ পেটত থকা হীৰাৰ গৰাকী তুমি। হীৰাবোৰ নিশ্চয়েই তোমাৰ, তুমি লৈ যোৱা।"

তেতিয়া ৰামুৱে টপৰাই কৈ উঠিল, "মহাৰাজ, আচল কথা হ'ল যে—জীয়া মাছৰ সলনি শুকান মাছকেইটা ময়েই বাবলুক দিছিলোঁ। গতিকে — এই হীৰাবোৰ মোৰ।"

মহাৰাজে ৰামুক কাৰাগাৰলৈ নিক্ষেপ কৰিলে, আৰু বণিজাৰহঁতক সিহঁতৰ হীৰাবোৰ প্ৰত্যৰ্পণ কৰি বাবলুক ধনেৰে পুৰস্কৃত কৰি তাৰ সততাৰ শলাগ ল'লে।

পোলিঅ'প্লাছ

শিশুইঁতলৈ ব্যাধিবিহীন মুক্তজীৱনৰ সুস্পষ্ট আশ্বাস

কেতিয়া কিমান ছিটা দিব লাগিব

ছিটা কেতিয়াৰপৰা আৰম্ভ কৰিব	ছিটাৰ নাম	ৰোগৰ নাম	কিমান বাৰ দিব লাগিব
জন্মৰ লগে লগে	**বি চি জি**	**যক্ষ্মা**	এবাৰ মাথোন
৬ সপ্তাহ	**পোলিঅ'**	**পোলিঅ'**	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৬ সপ্তাহ	**ডি পি টি**	**ডিপথেৰিয়া** **পার্টুছিছ** (আজোৰা কাহ) **টেট্যানাছ** (ধনুষ্টংকাৰ)	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৯ মাহ	**মিজলজ**	সৰু আই	এবাৰ মাথোন

জন্মৰ বাৰ মাহৰ ভিতৰতে শিশুক সকলো ধৰণৰ ছিটা সম্পূৰ্ণকৈ দিব লাগিব।

গৰ্ভৱতীসকলে গৰ্ভধাৰণৰ শেষৰ ফালে দুবাৰ টেট্যানাছ (টি টি) ছিটা লোৱা আৱশ্যক। প্ৰথমবাৰ ছিটা লোৱাৰ এমাহৰ অন্তত দ্বিতীয়বাৰ ল'ব।

সুস্থ শিশু—জাতিৰ আশা আৰু গৌৰৱ

Now
Writing is a pleasure
with LION Novelty
Introducing the winning edge
NEW RANGE OF FANCY PENCILS.
Lion's Novelty Pencils have Mythologies from the Ramayan, Mahabharat and Shri Krishna Leela in colourful pictures. Making it interesting and easier for children to understand ethics.
Decorative pencils with Birthday Greeting messages, Rainbow colours and Alphabets are a silent language of love.
HAPPY BIRTH DAY
HAPPY BIRTH DAY
RAINBOW
Pencils with action-packed pictures of the Turtles, Hi.... Cat and Ping Pong brim 'YOUNG SMARTIES' with overpowering confidence.
TURTLES
LION PINKY PENCILS
Pinky, the charming beauty garbed in floral attire is all ready to allure every young boy and girl in town. She has claimed 'The Beauty And The Brain Pencil' title already.
PINKY
Manufactured by
LION PENCILS LTD.,
MARKETING DIVISION
95, PARIJAT, MARINE DRIVE, BOMBAY-400 002. TEL: 296856, 2089926
National-960

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৫ চনৰ জুলাই মাহৰ সংখ্যাত প্ৰকাশিত হ'ব।

Taji Prasad

Taji Prasad

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। প্ৰতিযোগিতা 'কোন মাহৰ বাবে' তাৰ উল্লেখ অৱশ্যেই থাকিব লাগিব। ১৯৯৫ চনৰ মে' মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯৫ চনৰ মাৰ্চ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : নাসাজোঁ কল্পনাৰ ঘৰ

দ্বিতীয় ফটো : পঢ়ি হ'ম বাস্তৱত বৰ

জুনু বৈশ্য, হাজো ৭৮১ ১০২, কামৰূপ, অসম।

[পুৰস্কাৰৰ ১০০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব।]

ভাৰতত বছৰেকীয়া বৰঙনি **চান্দমামা** ৬০.০০ টকা মাথোন

বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবসুৰা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা

তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক :

অসমীয়া, হিন্দী· গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্.
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু

আঁৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অস্ট্রেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 117.00 ● উৰাজাহাজ-যোগে 264.00

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা, পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে 123.00 ● উৰাজাহাজ-যোগে 264.00

আপোনাৰ বৰঙণি বেৱল ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্বনছে পোৱাকৈ পঠাওক :

ছাৰ্কুলেশ্যন মেনেজাৰ চান্দমামা পাবলিকেশ্যনছ চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০·০২৬

১০টা পাৰ্থক্য বিচাৰি উলিওৱাঁ

উত্তৰ :

১। ফুলত পাহিৰ সংখ্যা বেচি আছে।
২। ভাটৌটোৰ ঠোঁট খোলা আছে।
৩। ভাটৌটোৰ ডিঙিত ৰঙা পটি আছে।
৪। ছোৱালীজনীৰ চকু খোলা।
৫। ছোৱালীজনীয়ে হাঁহি আছে।
৬। তাইৰ ফ্ৰকত তৰা অঁকা আছে।
৭। ছোৱালীজনীৰ খাৰুডাল মুকুতাৰে ভৰি আছে।
৮। কুকুৰটোৰ জিভাখন ওলাই আছে।
৯। প্লেটত পাৰ্লেৰ নাম লিখা আছে।
১০। প্লেটত মেঙ্গোবাইট থোৱা আছে।

পাৰ্লে
মেঙ্গো
বাইট

everest/93/PP/170-as